ধাৰ থকা দেশৰ কেতিয়াও শান্তি হব নোৱাৰে। যাৰ নিজৰ উৎপাদন নাই। আনৰ উৎপাদনৰ ওপৰত নিৰ্ভৰ কৰিব লগা চৰকাৰৰ কোনো দিনেই শান্তি নাই। আৰু সদায়ে গালি খায় এই বিধান সভাত। এতিয়া কথা হৈছে, আমাৰ ধনী শ্ৰেণীৰে সংখ্যা কম আৰু দুখীয়া শ্ৰেণীৰ বেচি তথাপিও আমাৰ দুখীয়া শ্ৰেণীয়ে একো কৰিব পৰা নাই। তাৰ কাৰণ, পুলিচ আৰু মিলিটাৰী। কাৰবাত কিবা এটা কৰিলেও তত্ফনাত পুলিচ আৰু মিলিটাৰী যাবই। গতিকে এই ৰাজ্যখনক কোৱা হৈছে গণতান্ত্ৰিক আৰু নীতিটো হল ধনতান্ত্ৰিবাদ। কিন্তু এই পুলিচ আৰু মিলিটাৰীয়ে আৰু কিমান দিন ভেটি ধৰি থাকিব? সেই কাৰণে এই চীনত তিনি আলিৰ প্ৰতি দলং আতৰে আতৰে মানুহক কাটিব লগা হৈছিল। মানুহক উচিত শাস্তি দিয়াৰ বাবে। যেতিয়া এনে ঘটনাৰ আৰম্ভ হল তেতিয়া সেই পাৰ্টিৰ ৰজা চিয়াংচাই চেকক ধৰি আনি বন্ধ কৰি থৈ দিয়া হল কিন্তু তেওঁ পাচত পলাই গল। বাকীবোৰ মানুহক যেতিয়া এৰি দিব কোৱা হল, এৰি নিদি মাৰি পেলোৱা হল। গতিকে পুলিচ আৰু মিলিটাৰীয়ে আৰু বেচি দিন ধৰি ৰাখিব নোৱাৰে। আমাৰ এনেকুৱা এখন অনুস্থান নাই যি অনুস্থানত ষ্ট্ৰাইক হোৱা নাই। স্কুল কলেজকে আদি কৰি সকলো অনুস্থানতে ষ্ট্ৰাইক। এতিয়া মৰগীয়া বানচ হৈছে, হব, কোনেও বন্ধ কৰিব নোৱাৰে। এই বিলাক কমাবলৈ ব্যৱস্থাও সামঞ্জস্য থাকিব লাগিব। যিমান সোনকালে পৰা যায় সিমান সোনকালে এই দিগদাৰী বিলাক আতৰ কৰিব লাগে। ধনতন্ত্ৰবাদ দিবই লাগিব।

আমাৰ নিবনুৱা ভাই সকলক নিব পৰাৰ কোনো শক্তি নাই। শক্তি থাকিলেও আমি খটোৱা নাই। অৱশ্যে নিবনুৱা সমস্যা ভাৰতবৰ্ষ নহয় পৃথিবিতে আছে। আমেৰিকাৰ নিচিনা এখন দেশত অকল নিউয়ৰ্ক চহৰতে বেকাৰৰ সংখ্যা বহুত বেচি। ৩শ ৩০ টা

চেক ডকাইতৰ গেং আছে । তাৰ সদস্য ২০ হাজাৰ । আমেৰিকাতেই এনেকুৱা হলে আৰু কি উপায় আছে । এই কথা বিলাক পৰ্য্যলোচনা কৰিবলৈ গলে আমাৰ অসমৰ ক্ষেত্ৰত অলপ আচৰণ কৰিব পৰা অৱস্থা আছে । অসমত মেজেঙাত এটা সাৰ কাৰখানা কৰিব লাগে। তাৰ কাৰণে কমিটিৰ ৰিপোৰ্ট বিছৰা হৈছিল, আৰু তাত আয়েঙ্গাৰ বুলি এজন মানুহক স্বায়ীত্ব দিয়া হল। অসমত আৰু মানুহ নাছিল, অসমৰ বিশ্ব বিদ্যালয়ত আৰু তেনে কোনো বিজ্ঞ্য ব্যক্তি নাই। সেই আয়েঙ্গাৰে ৰিপোৰ্ট দিলে যে মেজেঙাত সাৰ কাৰখনা কৰা অসুবিধা আছে । কিয়নো তাত মাত্ৰ ৩ লাখ ৫০ হাজাৰ কিলোমিটাৰতহে জিপ্চ পোৱা যাব। আচলতে লাগে পাঁচ ছয় লাখ। তাৰ পাচত কথাটো জানিয়েই তেল মন্ত্ৰী শ্ৰীবহুগুনালৈ টেলিগ্ৰাম কৰিলো আৰু কলো যে আপুনি নিজে আহক নতুবা আন কোনো-বাক পঠিয়াওক আৰু আমাৰ সংগ্ৰাম পৰিষদৰ মানুহো থাকিব তাৰ পাচত বিছাৰ কৰি চাম। আচলতে প্ৰতিবৰ্গ কিলোমিটাৰ ৩০/৫০ হাজাৰ এচোচি/য়েটেদ গেচ আৰু তেল ওলাইছে । গোটেইখিনি সংৰক্ষণ কৰিলে ৩ লাখ ৫০ হাজাৰ টন কিউবিক মিটাৰ হয় । তেনেকৈ ১৩ কূপত অকল গেছেই ওলাইছে । গতিকে অতি কমেও ১৬ লাখ কিউবিক মিটাৰ গেছ পোৱা যাব । এই ফেক্টৰী নামৰূপত আৰু বঢ়োৱাৰ প্ৰশ্ন উঠিব নালাগে । কাৰণ নাম-ৰূপৰ গেছ আকাশ মণ্ডল বিশাক্ত কৰিছে । । অৱশ্যে যদি এই বিষয়ে আমাৰ চৰকাৰে তদন্ত কৰে তেনেহলে ৫ হাজাৰ মানুহৰ সংস্হাপন হব । কিন্তু নামৰূপত ৩১৫ শতকে বেঁচি হব নোৱাৰে । এই মানুহ বিলাক হয়তো কোনোবাই জোতা চিলাই কৰিব, কোনোবাই চাইকেলৰ কাৰবাৰ কৰিব কোনোবাই হাত বজাৰ কৰিব কোনাবাই তামোলপানৰ কাৰবাৰ কৰি সোমাব পাৰিব । গতিকে চৰকাৰে এইটোত বিশেষ ভাৱে জোৰ দিব লাগে । (সময়ৰ সংকেট) যিহেতু চৰকাৰৰ এইটো দেঁাষিত নীতি গতিকে এই উদ্যোগ বিলাক যিমান পৰা যায় সিমান বিকেন্দ্ৰীকৰণ কৰিব বুলি মই চৰকাৰক টানি অনুৰোধ কৰিলো ।

আন এটা কথা কবলগীয়া হৈছে । অসমক ক্ষমতা দিব লাগে, আন আন ৰাজ্যক ক্ষমতা দিয়াৰ কথা কোৱা হৈছে আৰু দিয়া উচিতো। আমাৰ ৯৭টা আইটেমৰ ওপৰত দিল্লীৰ যথেস্হ হাত আছে । তাৰ বাহিৰেও ৪৭ টা কংকাৰেণ্ট চাৰজেণ্ট আছে যত কেন্দ্ৰৰ এডমিনিষ্ট্ৰেটিভ জুৰিদিকচন আছে। তাৰ পিচত কিছুমান ৰেচিডুৱেৰী পাৱাৰ আছে। ইউ এচ এৰ চুইজাৰলেণ্ড বুলি কেণ্টমেণ্ট তেওঁলোকক অধিক ক্ষমতা দিয়া হয়। গতিকে তেনেকুৱা কোৱাচি ফেদেৰেল কৰিব পাৰি । তাৰ পিচত আমাৰ টকা পইছাৰ কথা কোৱা হৈছে । কেৱল কামৰূপ আৰু নগাওঁৰ পৰাই ২০ কোটি টকা চেণ্ট্ৰেল এক্সাইজে নিয়ে । কিন্তু তাৰ পৰা পাইছো কিমান তাৰ হিচাব হৈছে নে ?

(সময়ৰ সংকেট)

ৰাষ্ট্ৰপতি মহোদয়ে ৰাজ্যপালৰ ৰিপোৰ্ট পালে বিধান সভাও ভঙ্গ কৰিব পাৰে, আৰু ৰাজ্যৰ সীমা পৰ্য্যন্ত পৰিবৰ্ত্তন কৰিব পাৰে । অলপতে এটা অঞ্চল ভূটাণক দিলে আমাৰ লগত সুধা পুচাও নকৰিলে। আৰু বহুত সমস্যা আছে যিবিলাক সমাধানৰ দৰকাৰ । যিটো জুদিচিয়াৰী সেইটো একেবাৰে আমাৰচুপ্ৰিম কোৰ্টৰ পৰা কনট্ৰোল কৰে,কিছুমান কথা তাৰ ফলত অসুবিধা হয় । সেইবিলাক আতৰ কৰিব লাগে । কিছুমান সৰুসুৰা উদ্যোগ গঢ়ি তুলিব লাগে তাৰ কাৰণে কেন্দ্ৰক হেচা দিব লাগে। কেন্দ্ৰৰ ফালৰ পৰা এই বিষয়টোত যাতে গুৰুত্ব আৰোপ কৰে সেইটোও চিন্তা কৰিব লাগে । তাৰ পিচত এই জলসিঞ্চনৰ ব্যৱস্হাটো অসমত কিয় উন্নত কৰিব পৰা নাযায় ? আমাৰ কেইজনমান মন্ত্ৰীয়ে খবৰৰ কাগজত হাল বোৱা দেখিছো । তেওঁলোক আচলতে প্ৰশাসনৰ কাৰণেহে । মন্ত্ৰীয়ে হাল বালেই কৃষি উৎপাদন নহয় তেওঁলোকে ইয়াত বহি সা-সুবিধা দিয়ক আৰু নহলে হাল বাবলৈয়ে গুচি যাওক। হাল বাইছে হয় কিন্তু গৰু জুটি দিলে কোনে, ট্ৰেক্টাৰ কত পালে, সোহাতেই ধৰিলে নে বাওঁ হাতেই ধৰিলে সেইটো নাজানো ।

* শ্ৰীসোনেশ্বৰ বৰা (মন্ত্ৰী) :—মন্ত্ৰী কেইজন আগতে হালবোৱা মানুহেই গতিকে এই ক-খ বিলাক জানে ।

*শ্ৰীখগেন বৰুৱা ঃ—তেনেহলে হাল বাবলৈকে যাওঁক বিধান সভালৈ আহিব নালাগে। আমাক সোনকালে পানী দিয়াৰ ব্যৱস্হা কৰিব লাগে। অ?শ্যে কৰ্ত্তন প্ৰস্তাবৰ সময়ত এইবিলাক আলোচনা কৰিম, চাৰিওফালে পানী কিন্তু খাবলৈ পানী নাই। খোৱা পানী সম্পৰ্কে লোক এজন ইন্টাৰনেচনেল বিখ্যাত ডাক্তৰ এজনে কৈছিল যে ভাৰতবৰ্ষত খোৱা পানী ঠিক হলে বহুত বেমাৰ নাই কিয় হব। গতিকে খোৱা পানী অন্ততঃ ঠিক কৰ দিয়া উচিত। গতিকে মন্ত্ৰী সকলে ঠিককৈ কাম কৰক, আমি পাচত আছো।

শ্ৰীহৰেন্দ্ৰ গোস্বামী ঃ—মাননীয় অধ্যক্ষ মহোদয়, পোন প্ৰথমতে বিত্তমন্ত্ৰী মহোদয়ে যিখন বাজেট দাঙি ধৰিছে সেই বাজেটৰ প্ৰতি সম্পূৰ্ণ সমৰ্থন আগবঢ়াইছো। আমি আশাকৰিছো নতুন চৰকাৰে সম্পূৰ্ণ আস্হাৰ জৰিয়তে যিখন বাজেট দাঙি ধৰিছে সেই বাজেটে কিছুপৰিমাণে হলেও অসমক উন্নয়নৰ অৰিহনা যোগাব পাৰিব। এই কথা ঠিক যে এই বাজেটত অসমৰ জনসাধাৰণৰ সম্পূৰ্ণ আশা আকাংখা দাঙি ধৰিব পৰা নাই যদিও কিছু সমস্যা সমাধান কৰিব পা ৰব। কৃষি উন্নতি সাধন কৰাৰ কাৰণে জনতা চৰকাৰে যি কৃষি উৎপাদন আঁচনি গ্ৰহণ কৰিবলৈ ওলাইছে তাত হয়তো বহুত বাধা বিঘিনী আহিব পাৰে। জলসিঞ্চন আজিও অসমত সম্পূৰ্ণ হৈ উঠা নাই। যাৰ ফলত অসমত খেতিয়কে মাত্ৰ এটা খেতি কৰিবলৈহে সামৰ্থ হয়। অসমত বানপানী আৰু মঠাউৰীৰ সমস্যাই কৃষি উন্নয়নত যথেষ্ঠ বাধাৰ সৃষ্টি কৰিছে। গতিকে যিখিনি কথা বাজেটৰ জৰিয়তে দাঙি ধৰিছে সেই-খিনি যাতে কাৰ্য্যত পৰিণত কৰিব পাৰে তাৰ কাৰণে মই নতুন চৰকাৰক আহ্বান জনাইছো। এই বানপানীৰ ফলত অসমৰ ৰাইজে বাৰে বাৰে আহুকাল ভুগিবলীয়া হয়। বানপানীৰ পাচত খেতি কৰিবলৈ ৰাইজে আগবাঢ়ি আহে ফলত উৎপাদনো তেনেই নিশকতীয়া হয়। ৰাস্তা ঘাট বন্ধা, মঠাউৰি বন্ধা কাম আমাৰ অসমত ফেব্ৰুৱাৰী মাৰ্চ্চ মাহতহে আৰম্ভ কৰে, তাক শেষ কৰোতে বানপানী আহি পায়, ফলত কামবোৰ সম্পূৰ্ণ হৈ নুঠে আৰু টকাৰ অপচয় নহয়। গতিকে ৰাস্তা ঘাট বা মঠাউৰীৰ কাম অক্টোবৰ মাহতেই আৰম্ভ কৰিব, তেতিয়াহে টকাৰ অপচয় নহয় আৰু কামবোৰো ঠিকমতে হয়। ফেব্ৰুৱাৰী মাৰ্চ্চ মাহত কাম কৰে তাক পানীয়ে উতাই লৈ যায়। ৰাস্তাঘাটৰ ক্ষেত্ৰত শেষলৈ কামবিলাক কৰিবলৈ নৰৈ নাথাকি বাজেটাৰীমতে আদিৰ পৰাই কৰাৰ চেষ্টা কৰিব বুলি মই চৰকাৰক আহবান কৰিলো।

আজি আমাৰ বস্তুৰ দামৰ ওপৰত যি বিলাক আলোচনা বিলোচনা আদি হৈছে সেই বিলাক হোৱাটো নিতান্তই স্বাভাৱিক। ব্যক্তিগত ভাৱে মইও এই কথাটোত উদ্বেগ প্ৰকাশ কৰিছোঁ। বস্তুৰ দাম বৃদ্ধি হোৱাৰ কাৰণে আমাৰ দুখীয়া জনসাধাৰণৰ ওপৰত যিটো বোজা পৰিছে সেইটো বহন কৰাটো আজি আমাৰ দুখীয়া মানুহ বিলাকৰ কাৰণে অসহনীয় হৈ পৰিছে। মই বিশ্বাস কৰো, যে বস্তুৰ দাম বৃদ্ধি ৰোধ কৰিবৰ কাৰণে আমি এটা বাস্তৱ ব্যৱস্হা গ্ৰহণ কৰিব লাগিব। যি পৰিমাণে আমাৰ 'কনজাম্পশ্বন' হৈছে সেই পৰিমাণে আমাৰ বস্তুৰ উৎপাদন বৃদ্ধি হোৱা নাই। কৃষিজাত সামগ্ৰীয়েই হওঁক বা শিল্পজাত সামগ্ৰীয়েই হওঁক এই দুয়োপ্ৰকাৰৰ সামগ্ৰী বিলাক বৃদ্ধি কৰিবৰ কাৰণে আমাৰ নতুন চৰকাৰে দায়িত্ব লব লাগিব আৰু তাৰ কাৰণে জোৰ দিবলাগিব। এই ক্ষেত্ৰত যদি আমাৰ নতুন চৰকাৰ ব্যৰ্থ হয় তেতিয়াহলে, বস্তুৰ দাম কমোৱাটো টান হৈ পৰিব। জনসংখ্যাৰ বৃদ্ধি আৰু উৎপা-দনৰ স্হবিৰতাৰ মাজত নতুন চৰকাৰে বাস্তৱ দিশ এটা নিৰ্ণয় কৰিব নোৱাৰিলে এই সমস্যা সমাধান কৰাটো টানহৈ পৰিব।

সেইদৰে শিক্ষাৰ ক্ষেত্ৰতো যদি বাস্তৱ ব্যৱস্হা গ্ৰহণ কৰা নহয় তেতিয়াহলে, বহুত বিলাক বেমেজালিৰ সৃষ্টি হয়। যি সকলে কৃষি বিশ্ববিদ্যালত শিক্ষা লয় সেইসকলে যেন বাস্তৱ জগতত কামত আগবাঢ়িব পাৰে তাৰ কাৰণে যত্নপৰ হব লাগিব। তেতিয়াহে এই ক্ষেত্ৰত থকা বহুত বিলাক খেলি মেলি দূৰীভূত হব। তাৰ লগে লগে কি মাটিত কি ধৰণে খেতি বাতি আদি কৰিলে উৎপাদন বাঢ়িব তাৰ কাৰণে চেষ্টা কৰিবলাগিব। ডালিৰ উৎপাদন কেনেকৈ বৃদ্ধি কৰিব পাৰি তাৰকাৰণে কোনো অধ্যয়ন আদি হোৱা নাই। নোহোৱাৰ ফলতেই আজি অসমত ডালিৰ উৎপাদন বৃদ্ধি হোৱা নাই আগতে আমাৰ নামনি অসমত বিশেষকৈ খেচাৰী ডাইলৰ উৎপাদন বৰ বৃদ্ধি পাইছিল কিন্তু এই ডালিয়ে বেমাৰৰ বীজ সৃষ্টি কৰে বুলি ওলোৱাৰ ফলত চৰকাৰে সেই ডাইলৰ উৎপাদন বন্ধ কৰি দিয়াৰ কাৰণে ইয়াৰ উৎপাদনো অসমত কমি গল। প্ৰকৃততে এই ডালিয়ে বেমাৰৰ বীজ সৃষ্টি কৰেনে নকৰে সেইটো বিচাৰ কৰি চাই ডালিৰ উৎপাদনৰ কাৰণে চেষ্টা কৰিব লাগিব। যদি এইটো আকৌ কৰিব পাৰি তেতিয়াহলে, অসমত ডাইলৰ চাহিদা কিছু পৰিমাণে পূৰণ কৰিব।

তাৰপিছত নিবনুৱা সমস্যা সমাধান কৰিবৰ কাৰণে আমাৰ নতুন চৰকাৰে অহোপুৰুষাৰ্থ কৰিব লাগিব। এই নিবনুৱা সমস্যা সমাধান কৰিবৰ কাৰণে আমি আমাৰ যুৱক সকলৰ মাজত এটা 'ছাইক-লজিকেল চেঞ্জ' আনিব লাগিব। যিকোনো কামৰ কাৰণেই যাতে আমাৰ যুৱক সকলৰ কোনো হেয় ভাৱ নাহে তাৰ কাৰণে 'চাইকলজিকেল চেঞ্জ' এটা আনি দিবপাৰিলে বহুলাংশে আমাৰ নিবনুৱা সমস্যা কমি যাব। আমাৰ বহুত বিলাক ডেকাই কৰা অভিযোগটো যে, বাহিৰৰ মানুহ বিলাকে হস্ত-ক্ষেপ কৰি আমাৰ সংস্থানৰ পথটো জটিল কৰি তুলিছে সেইটোও নোহোৱা হৈ যাব আৰু আমাৰ ডেকা সকলে সংস্থান পাব।

তাৰ পিছত আমাৰ দক্ষিণ কামৰূপত বানপানী আৰু গড়াখহনীয়াই সৃষ্টি কৰা ভয়াবহ পৰি-স্থিতিয়ে তাত খেতিৰ মাটি খহাইনি একেবাৰেই নোহোৱা কৰি পেলাইছে। বস্তিৰ মাটিৰ তুলনাত খেতিৰ মাটি কম হৈ পৰিছে।

ইয়াৰ ফলত উদ্ভৱ হোৱা পৰিস্থিতিটো অধ্যয়ন কৰিবলাগিব। গড়া খহনীয়া ৰোধকৰিবলৈ এই সমস্যাটোৰ এটা অধ্যয়নৰ প্ৰয়োজন।

ফৰেষ্টৰ সম্পৰ্কত কওঁ যে, আসাম কেইন ডিলাৰছৰ লগত আমাৰ অসম চৰকাৰৰ এটা চুক্তি হৈছিল যিটো চুক্তিৰ ফলত আমাৰ বিশেষকৈ দক্ষিণ কামৰূপৰ বগাই খাচ বনাঞ্চলটো একেবাৰেই ধ্বংশপ্ৰাপ্ত হোৱাৰ উপক্ৰম হৈছিল। এই চুক্তিৰ ফলত অসম চৰকাৰৰ প্ৰায় এককোটিৰো ওপৰত টকা লোকচান হয়। গতিকে এই চুক্তিটোৰ সম্পৰ্কে গোটেই কথাটো ৰিভিউ কৰাৰ আজি বিশেষ প্ৰয়োজনীয় হৈ পৰিছে। অসমৰ এনে কিছুমান সমস্যা আছে যিবিলাকৰ ক্ষেত্ৰত যদি বাস্তৱ দৃষ্টি ভঙ্গী গ্ৰহণ কৰা নহয় তেতিয়া-হলে, সেইবিলাক সমস্যা সমাধান কৰাটো জটিল কথা হব। পৰিবহনৰ ক্ষেত্ৰত উদ্ভৱ হোৱা পৰিস্থিতিৰ ফলত অসমৰ বাহিৰৰ অন্য বিলাক ৰাজ্যৰ পৰা অহা বস্তু বিলাক বহুত দিন ৰেইলওৱে ষ্টেচন বিলাকতে পৰি থকাৰ ফলত তাৰ কাৰণে ডেমাৰেজ ভৰিবলগীয়াহয়। ফলত বস্তুৰ দাম বহুপৰিমাণে বাঢ়ি যায়। এইটো কিছমান বেপাৰীৰ চক্ৰান্ততে হব পাৰে। লগতে কিছুসংখ্যক কৰ্ম্মচাৰী ইয়াৰ লগত জড়িত থকাৰ কাৰণেও এই সমস্যাটো আৰু বেছি জটিল হৈ পৰিছে। সেই কাৰণেই ডেমাৰেজ ভৰিব-লগীয়া বস্তু বিলাকৰ ক্ষেত্ৰত যদি 'পাবলিক অকশ্বন' নকৰি চৰকাৰে অধিগ্ৰহণ কৰি বিতৰণৰ ব্যৱস্থা কৰা হয় তেতিয়াহলে, বস্তুৰ নাতনিৰ পৰা আমি ৰক্ষা পাম। নিমখৰ ক্ষেত্ৰটো আজি আমাৰ ৰাইজে উদ্বীগ্নতা প্ৰকাশ কৰিছে। নিমখৰ ক্ষেত্ৰটো যদি ফেক্টৰী প্ৰাইচৰ পৰা আৰম্ভ কৰি পৰিবহন আদি সকলোবিলাক পৰীক্ষা নিৰীক্ষা কৰি চোৱা হয় তেতিয়াহলে হয়তো এতিয়াৰ কিলোপ্ৰতি ৬০।৭০ পইছা নিমখৰ দামৰ পৰিবৰ্ত্তে আমি কিলো প্ৰতি ৩০।৩৫ পইছাটো ৰাইজক নিমখ দিব পাৰিম। সেইদৰে কয়লাৰ ক্ষেত্ৰটো যদি আৰু, তাৰ লগত দামৰ নিৰ্ণয় কৰি সিদ্ধান্ত লোৱা হয় তেতিয়াহলে, কয়লাৰ দামো কমি যাব। এই বিষয়ে নতুন চৰকাৰৰ দ্বাৰা যাতে সিদ্ধান্ত লোৱা হয় তাৰ কাৰণে মই অনুৰোধ কৰিছোঁ। যোৱা ৩০ বছৰীয়া শাসনৰ ফলত লাভ কৰা অভিজ্ঞতাৰ পৰা মই এই বিলাক বিচাৰ কৰা নাই। বৰং এজন সাধাৰণ নাগৰিক হিচাবেহে নিজস্ব দৃষ্টি ভঙ্গীত এই কথা খিনি মই কৈছোঁ। অসমৰ সামগ্ৰিক উন্নয়নৰ কাৰণে আমি চেষ্টা কৰিব লাগিব। অহা বছৰত দুশ মেডিকেল চাবচেণ্টাৰ খুলিবলৈ সিদ্ধান্ত কৰাৰ কাৰণে মই আমাৰ নতুন চৰকাৰক স্বাগত জনাইছোঁ আৰু জনতাক পতিয়ন নিয়াৰ পৰাকৈ কথা আৰু কামৰ মাজত সঙ্গতি ৰাখি এই বিলাক যাতে আৰম্ভণিৰে পৰাই কামৰ ব্যৱস্থা গ্ৰহণ কৰা হয় তাৰ কাৰণে মই আমাৰ নতুন চৰকাৰক অনুৰোধ কৰিছোঁ। মোৰ নিজা সমষ্টিতে যোৱাবছৰেই এনেকুৱা এটা চাবচেণ্টাৰৰ কাম আৰম্ভ হোৱাৰ কথা আছিল কিন্তু সেইটো আজি কোপতিও নহল। সেইকাৰণেইহে ক্ষীপ্ৰব্যৱস্থাৰে কাম হাতত লবলৈ মই নতুন চৰকাৰক অনুৰোধ কৰিছোঁ।

ৰাস্তা ঘাটৰ সম্পৰ্কত আমাৰ পলাশবাৰী সমষ্টিৰ পৰা ৩০।৩২ ৰাস্তা ঘাটৰ কাৰণে দাবী আহিছে। ৰাস্তাঘাটৰ কোনো ব্যৱস্থা নোহোৱাৰ ফলত দুটা মৌজালৈ যোৱাৰ কোনো উপায় নাই। গতিকেই এই যে ৩০।৩২ টা ৰাস্তাৰ কাৰণে দাবী আহিছে সেইটোৰ যুক্তি যুক্ততা বিচাৰ কৰি কাম আৰম্ভ কৰিবলৈ মই আমাৰ নতুন চৰকাৰক অনুৰোধ জনাইছোঁ।

যিবিলাক ৰিজাৰ্ভ বেদখলা হৈ আছে সেইবিলাকত কিছুমান সমস্যা আহি পৰিছে যাৰ ফলত গৰু মহ চৰাবৰ কাৰণে ঠাই নোহোৱা হৈ পৰিছে এই সম্পৰ্কত চৰকাৰে কি কি ব্যৱস্থা গ্ৰহণ কৰিছে বা কৰিব মই সেই সম্পৰ্কত কব খোজা নাই। কিন্তু এইটো কথা মই কব খুজিছো যে তাৰ স্থানীয় ৰাইজে গৰু চৰাবৰ কাৰণে গ্ৰেজিং ৰিজাৰ্ভ নোহোৱা হবলৈ ধৰিছে। তাৰ ব্যৱস্থা চৰকাৰে লব বুলি মই আশা ৰাখিছো। এই খিনি কৈ মই নতুন যিখন বাজেট দাঙি ধৰিছে তাক সমৰ্থন কৰিছো আৰু নতুন বাজেটত যিখিনি কাম কৰিম বুলি ৰাখিছে সেই খিনি কাৰ্য্যত পৰিণত কৰি ৰাইজক সকাহ দিব।

শ্ৰীআফাজুদ্দিন আহমেদ ঃ—উপাধ্যক্ষ মহোদয়, জয় জয়তে মই নতুনকৈ নিৰ্বাচিত বিধায়িক হৈ অহাৰ পিচত এই বাৰেই থিয় হবলৈ সুবিধা পোৱাত নিজকে ধন্য মানিছো। এতিয়া মই মাননীয় বিত্তমন্ত্ৰীৰ বক্তৃতাৰ ওপৰত দুআষাৰ কথা কবৰ কাৰণে সাহস কৰি উঠিছো।

মই নিৰ্দলীয় পাঁচজন সদস্য গোটৰে এজন। তেখেত সকলে ৰাজ্যপালৰ বক্তৃতাত অংশ গ্ৰহণ কৰিছিল, এই অভাজনে কৰা নাছিলো। এতিয়া এই বাজেটৰ ওপৰত দুআষাৰ কবলৈ থিয় দিছোঁ। নতুন মানুহ সেই বাবে ভুল-ত্ৰুটী নিশ্চয় হব, আশাকৰোঁ মাননীয় সকলে ত্ৰুটী হলে ক্ষমা কৰিব।

উপাধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যত তথা কেন্দ্ৰত জনতা চৰকাৰ প্ৰতিষ্ঠিত হৈছে। আমাৰ ইয়ালৈ বিভিন্ন ঠাইৰ পৰা বিধায়ক সকল নিৰ্বাচিত হৈ আহিছে। বিভিন্ন ৰাজনৈতিক দল ইয়াত উপস্থিত আছে ৰাইজৰ আশা আকাংখ্যা যিপৰিমাণে পূৰ্ণ কৰিবৰ কাৰণে প্ৰতিশ্ৰুতি হৈছে আমাৰ চৰকাৰৰ লগত সহযোগ আগবঢ়াবৰ কাৰণে সকলোৱে সমৰ্থবান হব। আজি মাননীয় বিত্তমন্ত্ৰী মহোদয়ে যিখন বাজেট দাঙি ধৰিছে সেই বাজেটৰ ওপৰত কেইবাগৰাকীও বিজ্ঞ সদস্যই অংশ গ্ৰহণ কৰি নানা আলোচনা কৰিছে। বস্তু বাহানীৰ দামৰ ওপৰত আলোচনা বহুতো হৈছে। এইটো সকলোৱে স্বীকাৰ কৰিব লাগিব যে বস্তুৰ নিত্য প্ৰয়োজনীয় বস্তুৰ দাম বৃদ্ধি হোৱাৰ ফলত আমাৰ সৰ্বসাধাৰণ ৰাইজ বৰ জুৰুলা হৈ পৰিছে। এই ক্ষেত্ৰত আমাৰ জনতা চৰকাৰে যথেষ্ট চেষ্টা কৰিব বুলি কৈছে। কিন্তু আমি দেখিছো দিনক দিনে বস্তুৰ দাম বাঢ়িহে গৈছে, কমি যোৱাৰ কোনো সম্ভাৱনা আমি দেখা নাই। বিত্তমন্ত্ৰী মহোদয়ে কৈছে যে বস্তুৰ মূল্য এই বছৰত আপেক্ষিক ভাবে কমিছে। আমি এইটো মানি লব নোৱাৰিলো। আমাৰ গাঁও আৰু চহৰত দাৰিদ্ৰৰ সীমাৰেখা যে ৭০ ভাগ সেইটো সকলোৱে স্বীকাৰ কৰিছে। মই আশা ৰাখিছো চৰকাৰে পূৰ্ণ উদ্যমে চেষ্টা চলাই ৰাইজৰ আশা আকাংখ্যা পূৰ্ণ কৰিবৰ কাৰণে যত্নৰ ত্ৰুটী নকৰিব।

কৃষি উন্নয়নৰ ক্ষেত্ৰত বিজ্ঞ বিধায়ক সকলে যথেষ্ট আলোচনা কৰি গৈছে। মই মাত্ৰ ইয়াকে কব খুজিছোঁ যে আমাৰ ৰাজ্যখনত বানপানীৰ উপদ্ৰব যথেষ্ট বৃদ্ধি হয়। বছৰি বছৰি বহু টকাৰ শস্য নষ্ট হোৱাৰ কাৰণে বহুতো মানুহে খাবলৈ নাপায় মৃত্যুৰ মুখত পৰে আৰু জীৱন নিৰ্বাহ কৰাত দুখ পায়। আগৰ চৰকাৰে বৈজ্ঞানিক পদ্ধতিত কৃষিৰ উৎপাদন বঢ়াবৰ কাৰণে নানান চেষ্টা চলাইছিল। কিন্তু আমি দেখিছো যি পৰিমাণে উৎপাদন বাঢ়িব লাগিছিল সেই পৰিমাণ বঢ়া নাই। আজিৰ চৰকাৰেও কৈছে যে বৈজ্ঞানিক পদ্ধতিৰে কৃষি উন্নয়নৰ পথ অৱলম্বন কৰি উৎপাদন বঢ়োৱা হব। কিন্তু এতিয়ালৈকে আমি দেখিছো যে কৃষিৰ প্ৰধান সজুলি সাঁচ, সাৰ আদি সময়মতে যোগান ধৰা নহয়। মই আশাকৰোঁ এইবোৰ ত্ৰুটী গুচাই নতুন চৰকাৰে কৃষিৰ উৎপাদন বঢ়োৱাত ৰাইজক সহায় কৰিব। আমাৰ এইখন বান পানীৰ ৰাজ্য। অতিৰিক্ত পানীৰ কাৰণে বাৰিষা খেতি কৰিব যে নোৱাৰেই খৰালিও খৰাং বতৰৰ কাৰণে খেতি কৰিব পৰা নহয়। মই যিখন জিলাৰ মানুহ সেই জিলাৰ সম্পৰ্কে দুআষাৰ কব খুজিছোঁ।

উপাধ্যক্ষ মহোদয়, আপুনি জানে যে ১৯৭১ চনৰ ২ অক্টোবৰ তাৰিখে উত্তৰ লক্ষীমপুৰ আৰু ডিব্ৰুগড় দুখন জিলা কৰিলে। সুদীৰ্ঘকাল আমাৰ এই জিলাখন অসম যেনেকৈ ভাৰতৰ ভিতৰত পিচ-পৰা তেনেকৈ লক্ষীমপুৰ জিলাখনো অসমৰ ভিতৰতে পিচপৰা। ডিব্ৰুগড়ক বাদ দি উত্তৰ লক্ষীমপুৰ জিলাখন ব্যৱসায় বাণিজ্যত পিচ পৰি আছে, তাত কোনো উন্নয়নমূলক কাম আজলৈকে নহল।

আন নেলাগে জিলাৰ সদৰ হোৱাৰ আগতে মহকুমা পৰ্য্যায়ত থাকোতে যিবিলাক অফিচৰ ঘৰ দুৱাৰ আছিল, অফিচাৰ সকলৰ বাসস্থান আছিল সেইবিলাক কোনো উন্নতি নহল। জিলা সদৰ হোৱাৰ পিচতো সেইবিলাকৰ কোনো উন্নতি নহল। জৰ্জকোৰ্ট আছে এটা সৰু ঘৰত কিন্তু বিচাৰক থাকিবলৈ কোনো বাসস্থান নাই। ডি, চি, থাকিবলৈ ঘৰ নোহোৱাত আগৰ এচ, ডি, ও, কোৱাৰ্টাৰত আছে। অন্যান্য মেজিষ্ট্ৰেট থাকিবলৈও কোনো ঘৰ নাই। এই জিলাৰ সদৰত এখন চিভিল হস্পিটেল আছে। এই হস্পিটেল খনৰ আধাৰ শিলা স্থাপন হৈছিল ১৯৭৩ চনত ; কিন্তু এতিয়ালৈকে আধাৰশিলা হৈয়ে আছে এতিয়াও ইয়াৰ কোনো উন্নতি হোৱা নাই। ৰোগীসকলে নিজ্যাতন ভুগিছে। উপযুক্ত বিছনাৰ অভাৱত আৱশ্যকীয় চিকিৎসালোৱাৰ পৰা বঞ্চিত হৈ আছে। সেই একেবছৰতে বিহপুৰীয়া সমষ্টিত শ্ৰীযুত প্ৰেমধৰ বৰা এম, এল,এ ডাঙৰীয়াৰ চেষ্টাত ৩০ খন বিচনা থকা এটি হাস্পতাল ঢলপুৰত স্থাপিত হল। কিন্তু জিলা সদৰত চিভিল হাস্পতাল হৈ নুঠিল। আশা কৰো জনতা চৰকাৰৰ স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াই এই বিষয়ে বিশেষ চকু দিব।

মই নাওবৈচা সমষ্টিৰ পৰা নিৰ্বাচিত হৈ আহিছো। এই নাওবৈচা সমষ্টিটো ১৯৬৭ চনৰ। তেতিয়া এইটো ৰিজাৰ্ভ চিট আছিল। তাৰ পৰা আগতে ডঃ ভুপেন হাজৰিকা আৰু শ্ৰীলীলা দাস নিৰ্বাচিত হৈ আহিছিল। তেতিয়াৰ পৰাই আমাৰ ৰাইজ বিভিন্ন দিশত অসন্তুষ্ট হৈ আহিছে। তাত যাতায়তৰ কোনো ব্যৱস্থা নাই, যদিও পঞ্চায়ত, সমবায় আদি অনুষ্ঠান আছে সেইবিলাকৰ পৰা ৰাইজে সুবিধাজনক কাম পোৱা নাই। অন্যহাতে আগৰ চৰকাৰে কোৱা শুনিছিলো আঞ্চলিক বৈষম্য দূৰীকৰণ হব, আঞ্চলিক বৈষম্য নাথাকিব। সেই আঞ্চলিক বৈষম্য শব্দটো কি মই বুজিব পৰা নাই। মই বুজাত যিবিলাক পিচপৰা অঞ্চল আছে, অনগ্ৰসৰ অঞ্চল আছে সেইবিলাক আগবঢ়াই নিব লাগিব যত স্বাস্থ্য ৰক্ষাৰ ব্যৱস্থা নাই, যাতায়তৰ ব্যৱস্থা নাই কৃষিৰ উন্নতিৰ কাৰণে ব্যৱস্থা নাই জলসিঞ্চনৰ ব্যৱস্থা নাই উন্নত ধৰণে খেতি কৰাৰ ব্যৱস্থা নাই এইবিলাকৰ ব্যৱস্থা কৰিব লাগিব। সেই কাৰণে মই এই সুবিধা লৈ আমাৰ চৰকাৰৰ পক্ষক আৰু চৰকাৰৰ বিভিন্ন বিভাগৰ মন্ত্ৰী সকলক অনুৰোধ কৰিছো আঞ্চলিক বৈষম্য দূৰীকৰণৰ কথা যিবিলাক অঞ্চল আজি ৩১ বছৰে পিচপৰি আছে সেইবিলাকলৈ বিশেষ চকু ৰাখে। আজি বাজেটত উত্থাপন হৈছে উন্নয়ন মূলক কামৰ শিতানত কৃষি, জলসিঞ্চন আদি শিতানত সৰহ টকা ধৰা কাৰণে ভাল পাইছো। কিন্তু সেইবিলাক বিশেষ ভাৱে ব্যয় কৰি আঞ্চলিক বৈষম্য থকা পিচপৰি থকা অঞ্চল সমূহত যাতায়ত, স্বাস্থ্য, কৃষি জলসিঞ্চন আদি বিষয়ত বিশেষ ভাৱে চকু ৰাখিবলৈ মই চৰকাৰক অনুৰোধ জনাইছো।

পৰিকল্পনাৰ বিষয়ে মই কব বিচাৰিছো যে পৰিকল্পনাত টকা আছে। এইটো বৃদ্ধি পাইছে। কিন্তু এই পৰিকল্পনা একে আছে। বৰ্তমান চৰকাৰে ৫ বছৰৰ ঠাইত এক বছৰীয়া কৰিছে। মোৰ বিশ্বাস এই পৰিকল্পনা মতে তেখেতে বিশেষ আঁচনি গ্ৰহণ কৰিব যাৰ দ্বাৰা ৰাইজ ভালদৰে উপকৃত হয়। মই এটা কথা কব বিচাৰিছো এইবিলাক কামত যাতে অৱহেলা নহয়, অপব্যয় নহয়, অপচয় নহয় যি কামত টকা খৰচ কৰে সেইবিলাক যেন ভালভাৱে হয় এইটোত চৰকাৰে চোকা দৃষ্টি ৰাখিব।

মই ইয়াৰ লগতে সমবায়ৰ কথাও অলপ কব খুজিছো। সমবায়ৰ জৰিয়তে উৎপাদন আৰু ৰাজহুৱা বিতৰণ ব্যৱস্থা কৰাৰ কথা আমি আঁচনি মতে দেখিছিলো। আজিৰ চৰকাৰে এই আঁচনি গ্ৰহণ কৰাও দেখিবলৈ পাইছো। কিন্তু মই সমবায় আন্দোলনৰ কথা কব বিচাৰিছো যে মাননীয় সমবায় মন্ত্ৰী এজন অভিজ্ঞতা সম্পন্ন ব্যক্তি। এই সম্পৰ্কত আমাৰ যিবিলাক অনুষ্ঠান-প্ৰতিষ্ঠান দেখিবলৈ পাইছো তাৰ প্ৰায় বিলাকে নষ্ট পথলৈ গৈছে। ৰাইজৰ উপকাৰত অহা নাই। এই বিলাকৰ দ্বাৰা চেনীৰ ৰাজহুৱা বিতৰণ কৰাৰ বাহিৰে অন্য কোনো কাম কৰিব পৰা নাই। কিন্তু এটা কথা জানো পুজিঁপতি সকলৰ হাতত নিদি ৰাইজৰ অনুষ্ঠানৰ জৰিয়তে বিতৰণ কৰিলে ৰাইজে সুবিধা পাব, আৰু সুলভ মূল্যতে বস্তু পাব। ইয়াত কিছুমান কেৰোণ আছে যাৰ কাৰণে সমবায় অনুষ্ঠানটো উন্নত হব পৰা নাই আৰু ঠিকমতে পৰিচালিত হব পৰা নাই আৰু তাৰ প্ৰতি সমবায় মন্ত্ৰীয়ে চকু দিব বুলি আশা ৰাখিলো। এতিয়ালৈকে যি দেখা গৈছে এই বছৰ মুকলি ধান সংগ্ৰহ হোৱাৰ পিচত সমবায়ৰ যিবিলাক ধান কল আছে সেইবিলাক মুকলি বজাৰত ফেৰ মাৰি ধান সংগ্ৰহ কৰিব নোৱাৰা কাৰণে বন্ধ হৈ আছে।

আমাৰ মহকুমাতে ৫টা সমবায় ধান কল আছে। এইবিলাক আজি ১১ মাহে বহি আছে। কাৰণ ষ্টেট-ফেড বা মার্কেটিং কোৰপোৰেচনৰ যিবিলাক ধান আছে সেইবিলাক লৈ আহিছে। তাত মিলিং কৰিব অনা নাই। বৰ্তমান ষ্টেট ফেড আৰু এফ, চি, আই, ৰ হাতত ধান নাই। ভৱিষ্যতে কি ব্যৱস্থা লৈ এই সমবায় সমূহত কাম কৰা ২০।২৫ জন স্থানীয় মানুহ যাতে জীৱিকাৰ পৰা বঞ্চিত হব লগীয়া নহয় তাৰ ব্যৱস্থা কৰিব লাগিব। এই সমবায় বিলাক বন্ধ হৈ যাবলগীয়া হলে তাত চাকৰি আদি নিদি খেদি দিব লাগিব। সেইকাৰণে জনতা চৰকাৰে সমবায়ৰ সম্পৰ্কত বিশেষ চকু দিব যাতে ইয়াৰ দ্বাৰা ৰাইজ উপকৃত হয় আৰু তাত থকা মানুহখিনি জীৱিকাৰ পৰা বঞ্চিত নহয় ইয়াৰ কাৰণে চৰকাৰক অনুৰোধ কৰিলো। মই বিশেষ কথা কব খোজা নাই, মই বক্তা নহওঁ, অনভিজ্ঞ মানুহ। সেইকাৰণে বিধায়ক সকলক আৰু ৰাইজক সন্তুষ্টি দিব পৰা নাই। প্ৰথম অৱস্থাত কথা কবলৈ উঠিলে ভয় ভয় লাগে। সেইকাৰণে শেষত এটা কওঁ শিক্ষাৰ সম্পৰ্কত। শিক্ষাৰ সম্পৰ্কত বহুতো বিধায়কে বিস্তিত ভাৱে ৰাজ্যপালৰ ভাষণ আলোচনা কৰিছে। মই আন কথা নকৈ এইটোকে কব খুজিছো যে আঞ্চলিক বৈষম্যৰ কথা ইয়াতো আহি পৰে। য'ত আছে তাত হৈয়ে আছে য'ত নাই তাত একেবাৰেই নাই। আজিলৈকে কিছুমান ঠাইত এখন এল-পি স্কুলো নাই। সেইকাৰণে কওঁ যে প্ৰত্যেক গাঁওতে একোখনকৈ প্ৰাইমাৰী স্কুল দিব লাগে। কংগ্ৰেছী আমোলত এখন এলিমেণ্টৰী বোৰ্ড কৰিছিল। তাত কিছুমান সদস্যও আছিল। এই বোৰ্ডৰ কৰ্মচাৰী আৰু সদস্যৰ জৰিয়তে কিমানে শিক্ষা পাইছে সেইবিলাক আলোচনা কৰিছে। মই এইটোকে কব খুজিছো যে ব্যক্তিৰ লাভৰ বাহিৰে ৰাইজৰ কোনো উপকাৰ নহল। যিবিলাক লৰাই মেট্ৰিক পাচ কৰি পৰীক্ষা দি প্ৰাৰ্থী হিচাবে আছিল তেওঁলোকক নিযুক্তি নিদিলে। এতিয়া দেখা গৈছে পৰহিৰ কথা, এতিয়া ডি, আই, য়ে নিযুক্তি নিদিয়ে, নিযুক্তি আছে শিক্ষাধীকাৰৰ হাতত। যাৰে প্ৰভাৱ আছে তেওঁৰেই লৈ যায় আৰু যিবিলাক নিৰীহ সেইবিলাক বঞ্চিত হৈ থাকে। এইবিলাক দুৰ্নীতি এতিয়াও চলি আছে।

আগৰ যিটো স্কুল বোৰ্ড আছিল তাত যিটো ব্যৱস্থা চলিছে সেই সম্পৰ্কে বেচিকৈ নকওঁ। মুঠতে তেলীৰ মূৰত তেল দিয়া হৈছে। ফলত দুখীয়া মানুহে কোনো সুবিধা পোৱা নাই। ইয়াৰে পৰি মহকুমা বিলাকত একোখনকৈ এডভাইজৰী বৰ্ড পাতি পৰীক্ষা লৈ যি বিলাক শিক্ষকৰ নাম লৈছিল সেই বিলাকৰ মোটামুটি কিছু নিযুক্তি হৈ আছে। যি বিলাক আহি নিজে একো বন্দবস্ত কৰিব নোৱাৰে সেই সকলৰ কোনো ব্যৱস্থা হোৱা নাই। মহোদয়, আজি নিবনুৱা সমস্যা সকলো ঠাইতে আছে-গাঁওতো আছে নগৰতো আছে। যি বিলাক অতি পিচপৰা অঞ্চল সেই বিলাক অঞ্চলত কোনো চাকৰি বা কোনো কাম পোৱাৰ ব্যৱস্থা হোৱা নাই। নগৰত দেখিছো যি বিলাকে আগৰ পৰা চাকৰি কৰি আছে সেই সকলৰ অঙহী বঙহীহে চাকৰি পায়। যি বিলাক গাঁৱৰ মানুহে কষ্ট পাই আছে বা যি বিলাকে গাঁৱতে মেট্ৰিক পাচ কৰিছে তেওঁলোকে একো সুবিধা নাপায়। এতিয়া নতুন চৰকাৰে গঠন হৈছে। এই চৰকাৰে এটা ব্যৱস্থা কৰিব বুলি সকলো ৰাইজে আশা কৰিছে। তেওঁলোকে পুৰণা ব্যৱস্থা সমূহ বাদ কৰি নতুন ব্যৱস্থাৰে ৰাইজ উপকৃত কৰিব বুলি আশা কৰিছো। দুখীয়া দুই এজন লৰাই অন্ততঃ চাকৰি পালে জীৱন নিৰ্বাহৰ এটা উপায় পাব। গতিকে আমাৰ এই দুখীয়া ৰাইজৰ আশা-আকাংক্ষা পূৰণ কৰিব বুলি আশা কৰিছো। সেই বাবে এই কথা বিলাক আমি বিভাগীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিলো।

মহোদয়, ভূমি সংস্কাৰৰ কথা যথেষ্ট কোৱা হৈছে। এই সম্পৰ্কত বাজেটত কোৱা হৈছে। এই খিনিতে এটা জলন্ত সমস্যা হৈছে যে চৰ অঞ্চলত গোৱালপাৰা আৰু কামৰূপত যথেষ্ট আছে। কিন্তু আমাৰ উত্তৰ লক্ষীমপুৰত চৰৰ প্ৰশ্নই নাই। বান বিধস্ত মানুহৰ কথা আজি ত্ৰিশ চল্লিশ বছৰ ধৰি হৈ আছে। যি বিলাক মানুহক নতুনকৈ মাটি দিয়া হৈছে সেই সকলৰো পট্টা নাই। তৌজিবাহী হৈ আছে। ইয়াৰ কাৰণ কি কোৱাৰ্ণ কত এই সম্পৰ্কে নাজানো। আমি দেখিবলৈ পাইছো যে বহুতো অঞ্চল জংঘল হৈ আছে। সেই ঠাইত বহুলোকে চন কৰি খেতি কৰি আছে। কিন্তু তেওঁলোকৰ পট্টা নোহোৱাৰ কাৰণে বেংক বা চৰকাৰৰ পৰা কোনো ধৰণৰ ঋণ লৈ উন্নত ধৰণে খেতি কৰিব নোৱাৰে। এই ব্যৱস্থাৰ পৰা তেওঁলোক বঞ্চিত হৈছে। লক্ষীমপুৰ জিলাৰ বিভিন্ন ঠাইত হাজাৰ হাজাৰ মানুহে এই অৱস্থাত আছে। আশা কৰো আমাৰ বৰ্তমান নতুন চৰকাৰে যি সকল মানুহে তৌজিবাহী হৈ আছে

তেওঁলোকক একচনীয়া বা ম্যাদী পট্টা দি খাজনা দিয়াৰ ব্যৱস্থা কৰাব লাগে। তেতিয়াহলে ৰাজহৰ টকাও বাঢ়িব আৰু সেই লোক সকলে নানা ৰকমৰ সা-সুবিধা লবলৈ ব্যৱস্থা কৰিব পাৰিব। চিলিং আইনৰ মতে বহুত ঠাইৰ মানুহক আগৰ চৰকাৰে মাটি দিছিল। এই বিষয়ে ৰাজ্যপালৰ বক্তৃতাত বহুতো কথা ওলাইছিল। মই এইটো কব খুজিছো যে কাগজতো দিয়া হৈছিল প্ৰকৃত মাটিহীন ভূমিহীন, ভেটিহীন মানুহে মাটি নাপালে। আজিও একেই অৱস্থাতে আছে। যি সকলে মাটি দখল লবলৈ গৈছিল সেই সকলক ইতিমধ্যে উচ্ছেদ কৰা হৈছে। তেওঁলোকে মাটি দখল লব পৰা নাই। পট্টা পকেটতে আছে কিন্তু দখল এতিয়ালৈকে পোৱা নাই। এইটো গোটেই অসমৰে সমস্যা হৈ পৰিছে। উত্তৰ লক্ষীমপুৰৰ ধেমাজী অঞ্চলৰ বিষয়ে আমাৰ মাননীয় ৰাজহ মন্ত্ৰী ডাঙৰীয়াই নিশ্চয় দৃষ্টি দিব বুলি মই আশা কৰিলো। তেতিয়াহে ৰাইজে সকাহ পাব।

মহোদয়, শিক্ষাৰ সম্পৰ্কত মই আৰু এটা কথা কব খুজিছো আজি শিক্ষাৰ ক্ষেত্ৰত টকা ধৰা হৈছে। মাদ্ৰাচা শিক্ষা সম্প্ৰসাৰণৰ কাৰণেও কেইখন মান মাদ্ৰাচা স্কুলক ঘাটি মঞ্জুৰী দিয়া হৈছে, তাৰ বাবে আমি সুখী হৈছো। বাকিখিনি স্কুলো এই বছৰত ঘাটি মঞ্জুৰী দিব বুলি আশা কৰিলো। কিন্তু বৰ্তমান যিটো পদ্ধতিত গ্ৰাণ্ট দিয়া হৈছে সেই দৰে দিলে সুবিধা নহব। আজি মাধ্যমিক স্কুল বিলাকত যি বিলাক সুবিধা দিয়া হৈছে ঘৰ নিৰ্ম্মাণৰ ক্ষেত্ৰতেই হওক বা অন্যান্য ক্ষেত্ৰতেই হওক, আমাৰ মাদ্ৰাচা বিলাককো এই সুবিধাৰ পৰা বঞ্চিত কৰিব নালাগে। আঞ্চলিক বৈষম্যতা দূৰ কৰিব লাগে। আজি সংস্কৃত শিক্ষাৰ প্ৰসাৰ হৈছে। গতিকে এই মাদ্ৰাচা শিক্ষাৰ প্ৰতি অসমৰ জনতা চৰকাৰে বিশেষ দৃষ্টি দিব বুলি আশা কৰিলো। কাৰণ আজি মাদ্ৰাচা স্কুলত অন্যান্য বিষয় যেনে অসমীয়া গণিত ইংৰাজী আদিৰ লগতে নৈতিক ভাৱে ক্লাচিকেল লেংগুৱেজৰ শিক্ষা দিয়া হয়। এতিয়া দেখিছো মাদ্ৰাচা আৰু অন্যান্য স্কুলৰ মাজত বহুতো তাৰতম্য আছে। দিন ৰাত তফাত হৈ আছে। গতিকে এই বিলাক দূৰ কৰিবৰ কাৰণে মই শিক্ষা মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। মহোদয়, আমাৰ উত্তৰ লক্ষীমপুৰ জিলাত ধেমাজিত এটা মহকুমা আছে। অৱশ্যে আমাৰ তাৰ পৰা বানানিয়ন্ত্ৰণ মন্ত্ৰী মহোদয়ো আছে। মই কথাটো কোৱা অবান্তৰ হয়নেকি যে ধেমাজি চাবডিভিজনেল হেড কোৱাৰ্টৰ হল কিন্তু এতিয়ালৈকে তাত ঘৰ-দুৱাৰ নাই। খোৱা পানীৰ ব্যৱস্থা নাই। থানাত হাজোতত থাকিবৰ কাৰণে ঘৰ নাই। হাজোতি বিলাক উত্তৰ লক্ষীমপুৰত ৰাখিব লাগে আৰু বিচাৰৰ সময়ত তাৰ পৰা লৈ আহিব লাগে। ইয়াৰোপৰি নলবাৰী আৰু ধেমাজি একে সময়তে মহকুমা ঘোষণা কৰা হৈছিল। কিন্তু ধেমাজি আৰু নলবাৰীৰ মাজত কোনো তুলনা নহয়। বহুতো তফাত আছে। এই সম্পৰ্কতমই মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো। আমাৰ যি বিলাক পিচপৰা অঞ্চল আছে সেই বিলাকত ৰাস্তা-পদূলি আদি কৰি কৃষি উন্নয়ণ জলসিঞ্চন স্বাস্থ্য আদি বিষয়ত বিশেষ ধৰণে চকু দিব লাগে আৰু আঞ্চলিক বৈষম্যতা যেন নাথাকে সেই বিষয়ে আশা কৰিলো। আমাৰ উত্তৰ উক্ষীমপুৰৰ চিভিল হাস্পাতালৰ কথা কোৱাৰ লগে লগে মোৰ মনত পৰিছে এই বাজেটত স্বাস্থ্য কেন্দ্ৰৰ কথা লৈ টকা ধৰা হৈছে, এইটোত আমি ভাল পাইছো। যোৱা বছৰো মোৰ নাওবৈচা সমষ্টিৰ বাবে কাগজেপত্ৰে টকা ধৰা হৈছিল। বিহপুৰীয়া সমষ্টিৰ কথা মাননীয় সদস্য শ্ৰীবৰা ডাঙৰয়াই ইতিমধ্যে কৈছে আৰু তেখেতে দুই চাৰিটা কামো কৰিছে। কিন্তু মোৰ তাত একো কাম হোৱা নাই।

ৰাজ্যিক চিকিৎসালয় দুটা আছিল। আজি তিনি বছৰে লাহে লাহে এটাকৈ কাম কৰাৰ ফলত সম্পূৰ্ণ হোৱা নাই। চাৰিটা স্বাস্থ্য কেন্দ্ৰ হোৱা কথা আছিল এটাও নহল। যাতায়তৰ, চিকিৎসাৰ সুবিধা নাই। আশা ৰাখো অতীতৰ কথা পাহৰিছো- নতুন চৰকাৰে এই পিচপৰা মহকুমাটোৰ প্ৰতি বিশেষ দৃষ্টি দিব। আৰু বহুত কথাই কব থাকিল। এইখিনি কথা কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীৰবীন্দ্ৰ নাথ মালাকাৰ :—মাননীয় উপাধ্যক্ষ মহোদয়, বাজেট বক্তৃতাৰ আৰম্ভণীত দুটা মান কথা কব খুজিছো যে আমাৰ বিৰোধী মাননীয় সদস্য শ্ৰীৰাজবংশীয়ে যি খিনি কথা কৈছে সেই খিনি অমূলক কথা বুলি গ্ৰহণ নকৰিলে গোটেই খিনি অমূলক কথা এনে নহয়। যোৱা ত্ৰিশ বছৰৰ বাজেটত যিটো লক্ষণ দেখা পাইছো স্বাধীনতাৰ পিচত যিমান দিন মনত পৰে কেন্দ্ৰীয় চৰকাৰৰ বাজেট এবছৰৰ বাহিৰে বাকী সকলো বোৰ বাজেট ঘাটি আছিল। মোৰ মনত পৰাত অসমৰ বাজেট খনো আজিকোপতি ঘাটি বাজেট হৈয়েই আছে। অসমৰ যিটো অৰ্থনৈতিক অৱস্থা সেইটো বাজেটত দেখুৱা হৈছে। প্ৰতি বছৰে

অতি কমেও গড় হিচাবে ২১ কোটি টকা কেন্দ্ৰৰ পৰা ধাৰ কৰিব লগা হয়, তেতিয়াহে আমাৰ বিত্তীয় বছৰটোৰ যাবতীয় যিখিনি কাম বাজেটত দেখুওৱা মতে আমি কৰিব পাৰো। সেই কাৰণে হয়তো আজি-কোপতি অসমৰ অৰ্থনৈতিক অৱস্থাৰ পৰিবৰ্ত্তন হোৱা নাই। যোৱা ত্ৰিশ বছৰে কংগ্ৰেছ শাসনত আমাৰ যি যি বস্তুত গুৰুত্ব দিব লাগিছিল তেনে ভাবে দিয়া হোৱা নাছিল। উদাহৰণ স্বৰূপে আমি দুটা বস্তুত গুৰুত্ব দিব লাগিছিল। তাৰে এটা হল কৃষি আৰু আনটো হল কুটিৰ শিল্প। কৃষিৰ ক্ষেত্ৰত যোৱা ত্ৰিশ বছৰৰ কোনো এটা জলসিঞ্চন আঁচনি বা কোনো আঁচনি বিভাগৰ ভেলিত নহল। মথাউৰী হল যদিও, বৈজ্ঞানিক পদ্ধতিত নোহোৱাৰ কাৰণে আন এটা সমস্যা হৈছে। আগৰ মুখ্যমন্ত্ৰী শ্ৰীচৌধুৰী ডাঙৰীয়াই গুৱাহাটীত বাৰ এৰচিয়েচনৰ মিটিঙত এডমিট কৰিছিল আমাৰ মথাউৰী বিলাক বৈজ্ঞানিক ভাবে হৈছেনে নাই নাজানো আৰু ইঞ্জিনিয়াৰ সকলেও ভাল দিহা পৰামৰ্শ দিব নোৱাৰে। বৰভাগ আৰু হাজো সমষ্টিত মথাউৰী বিলাক এনে দৰে বনোৱা হৈছে বাৰিষা ই সবোবৰত পৰিণত হয়। নদীৰ পানী সোমালে সোমাল আৰু পানী শুকালে পানী বৈ যায়। শ্লুইচগেট বিলাক নদীতকৈ ওপৰত থকাৰ কাৰণে পানী থাকি যায়। পৈণত নোহোৱাৰ কাৰণে অকল উত্তৰ কামৰূপতেই নহয় দক্ষিণ কামৰূপতো ডাঙৰ সমস্যাৰ সৃষ্টি হৈছে। আমাৰ ইয়াত ভবিষ্যতে যি চৰকাৰেই নহওক কৃষি আৰু কুটিৰ শিল্পত গুৰুত্ব নিদিলে অসমৰ সমস্যা ভাল মতে সমাধান কৰিব নোৱাৰে। গতিকে কৃষিৰ ক্ষেত্ৰত বিশেষ মনোনিবেশ কৰিব লাগে। আগতে এই ক্ষেত্ৰত ভাল ভাবে গুৰুত্ব দিয়া নাই। এই বছৰ কৃষিৰ ক্ষেত্ৰত গুৰুত্ব দিছে।

আমি কুটীৰ শিল্পৰ ক্ষেত্ৰত দেখিছো আমাৰ ভাল প্ৰচাৰ নোহোৱাৰ কাৰণে এই বিষয়ত অসমতেই সীমাবদ্ধ হৈ আছে। বস্তুটোক কোনো গুৰুত্ব দিয়া নাই, অৱহেলা কৰি আছে। যোৱা কালি পেপাৰত দেখিছো লাক্ষাদ্বীপত অসমৰ জাপিৰ চাহিদা বাঢ়িছে। তাত গৰম বেচি, সূৰ্য্যৰ ৰশ্মি দাইৰেক্ট পৰে সেই কাৰণত অসমীয়া জাপি তেওঁলোকে বিচাৰিছে। যোৱা ত্ৰিশ বছৰে তেনেকুৱা এটা বস্তুৰ উন্নতি সাধন কৰি বাহিৰলৈ পঠাব পাৰি নেকি তাৰ কথা ভবা নাছিল। কেন্দ্ৰীয় উদ্যোগ মন্ত্ৰী শ্ৰীজৰ্জ ফাৰ্ণাণ্ডেজ সৰ্থেবাৰীৰ কাহ উদ্যোগ অধ্যয়ন কৰিবলৈ আহিছিল। অধ্যয়ন কৰি অহাৰ পিচত দেখা পালো বিৰোধী সদস্যই কোৱা দৰে বজাৰৰ অভাবত ফলৱতী হোৱা নাই। কাঁহৰ বাচন বম্বে মাদ্ৰাজ আদিত সুলভ মূল্যত বিক্ৰি কৰিব পাৰো নেকি এই সম্পৰ্কত সৰ্থেবাৰী বাইজে আঁচনি দিব নোৱাৰিলে। এই উদ্যোগ বিলাকত মনোনিবেশ কৰাৰ দৰকাৰ হৈছে। পশ্চিম বঙ্গত বিৰোধী চৰকাৰেও তেনে কিছু আঁচনি লৈছে। জনতা চৰকাৰে এই কুটীৰ শিল্প জাত বস্তু বিলাক বাহিৰত বিক্ৰি কৰিবৰ কাৰণে বজাৰৰ সৃষ্টি কৰিব পাৰে। মাননীয় সদস্য শ্ৰীমিশ্ৰ ডাঙৰীয়াই বয়ন শিল্পৰ কথা কৈছে। আজি আমাৰ গাঁৱৰ তথা চহৰৰ শতকৰা ৯৯ ভাগ মানুহৰ ঘৰত তাত শাল আছে। শিপিনী সকলে সূতা কিনিব নোৱাৰে। শিপিনী সকলে সাহায্য পোৱা নাই। কেৱল ভোটৰ সময়ত দুই এমুঠি সূতা দিয়ে।

গাঁৱে ভূঞে বহুত শিপিনী আছে আৰু তেওঁলোকক ওৱেলফেয়াৰৰ পৰা সাহায্য দিছে কিন্তু প্ৰকৃত পক্ষে যি বিলাক দুখীয়া বিধৱা সেই সকলে কোনো সাহায্য পোৱা নাই। আজি ত্ৰিশ বছৰে গাঁৱে গাঁৱে থকা দুখীয়া বিধৱা সকলক গাঁওপঞ্চায়ত বা পৰিষদৰ জৰিয়তে কেইখনমান শাল যোগান ধৰা হৈছে। এইটো কথা মই গৰ্ভণৰৰ ভাষণৰ আলোচনা প্ৰসঙ্গত কৈছিলো কিন্তু আচলতে যি সকলৰ অৱস্থা ভাল সেই সকলকহে তাঁত শাল দিয়া হৈছে। পঞ্চায়ত নিৰ্বাচন হওক বা সাধাৰণ নিৰ্বাচনেই হওক সেই সময়ত যিসকলে সহায় সাহায্য আদি কৰিব পাৰে ভোট যোগাৰ কৰি দিব পাৰে তেনে লোককহে সেই উদ্দেশ্যে এই তাঁত শালবোৰ দিয়া হৈছিল। পঞ্চায়তবা পৰিষদৰ সভ্য দুই এজনৰ কথা মতেই সম্পূৰ্ণ ৰাজনৈতিক উদ্দেশ্য লৈ সিবিলাকক সাহায্য দিয়া হৈছিল। যাৰ খাবলৈ ভাত নাই পিন্ধিবলৈ কাপোৰ নাই তেনেকুৱা মানুহে পোৱা নাই। এই কাৰণে মই এই দিশটোৰ প্ৰতি অধ্যক্ষ মহোদয়ৰ জৰিয়তে বিভাগীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো। এই ক্ষুদ্ৰ উদ্যোগৰ প্ৰতি আমি মনোযোগ দিব লাগে আৰু দৰকাৰ হলে এই শিপিনী সকলক আধি বন্দবস্তত বা বছৰেকত দুখনকৈ গামোচা দিয়াৰ বন্দবস্তিত তাঁত শাল দিলেও বহুত উপকাৰত আহিব। শাল খন ফ্ৰি দিব পৰা যায়। যাৰ ঘৰত চাকৰিয়াল নাই বা শাল কিনাৰ সামৰ্থ্য নাই সেই সকলক একোখন অন্ততঃ ফ্ৰি দিব পৰা যায়। তাৰ দাম ত্ৰিশ চল্লিশ টকা মাত্ৰ হব। চৰকাৰী ভাৱে বহু টকাৰ অপচয় হয় গতিকে এই ক্ষেত্ৰত এইখিনি নামমাত্ৰ হব।

অধ্যক্ষ মহোদয়, মই আৰু বেছি সময় লব নোখোজো মাননীয় সদস্য শ্ৰীগোলোক ৰাজবংশী ডাঙৰীয়াই সদনত দাঙি ধৰা কেইটামান কথাৰ প্ৰত্যুত্তৰ হিচাবে অলপ মান কব খুজিছো। তেখেতে সমবায়ৰ কথা আঙুলীয়াই দিছে। সমবায়ৰ নিৰ্ব্বাচনৰ কথা কৈছে। এডহক কৰাৰ কথা কৈছে কিন্তু এই সমস্যাটো এই ধৰণে কিয় কৰিবলগীয়া হৈছে সেই বিষয়ত কবলৈ হলে এইটো কথা আপোনালোক সকলোৰে জানে যে কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে মেহতা কমিচন পাতি দিছে আৰু হয়তো এবছৰৰ ভিতৰত এই কমিচনে ৰিপৰ্ট দাখিল কৰাৰ কথাও আছে। তেনে ক্ষেত্ৰত পঞ্চায়ত সমূহৰ গাঠনি সম্পূৰ্ণ সলনি হৈ যোৱাৰ সম্পূৰ্ণ আশা আছে। আগৰ ৰুৰেল পঞ্চায়ত হল, তাৰ পিচত আকৌ বৰ্ত্তমানৰ দুই খলপীয়া পঞ্চায়ত হল। এই ধৰণে তিনিটা পৰ্য্যায়ৰ পঞ্চায়ত আজি পৰ্য্যন্ত হল যদিও আচলতে কিমান খিনি কাম কৰা হল সেইটোহে চাবলগীয়া বিষয়। ৰুৰেল পঞ্চায়ত থকা দিনতে কিছুমান ঘৰ সজা হৈছিল আৰু সেই ঘৰ বোৰত পঞ্চায়ত কৰ্ম্মী বহি কাম কৰাৰ সলনি এতিয়া কেৱল গৰু ছাগলী থাকিবলৈ লৈছে। তাৰ পিচত মিনি পঞ্চায়ত হল যদিও ঘৰ সজাত টকা পইচা খৰচ কৰা কাৰ্য্য ঠিকেই থাকিল, সেই বিলাক ঘৰো পৰি আছে। মই কবলৈ হলে বৰ্ত্তমান জনতা চৰকাৰে নিৰ্ব্বাচন নাপাতি পঞ্চায়ত বিলাক এড-হক ষ্টেজতে ৰাখিব লাগে। তাৰ ফলত অসমৰ ৰাজহ অৱস্থাৰ অলপ হলেও উন্নতি হব। যোৱা জৰুৰী অৱস্থাৰ সময়ত পঞ্চায়ত বিলাকৰ কাৰ্য্যকাল বঢ়াই লোৱা হৈছিল এই কাৰণেই যে সমবায় বিলাকৰ মেম্বাৰ, সভাপতি, সম্পাদক সকলো বিলাক কংগ্ৰেছী মানুহ আছিল। এইটো এডহক কৰিবলৈ হলে জনতা চৰকাৰে ঠিকেই কৰিব। ৰাজনৈতিক দৃষ্টি কোণৰ পৰা কোনো কথা নাচাই পঞ্চায়ত আৰু সমবায়ৰ মাজত থকা ওতঃপ্ৰোত সম্বন্ধ ৰক্ষা কৰাৰ কাৰণে বৰ্ত্তমান নিৰ্ব্বাচন নাপাতি এডহক কৰি ৰখাই ভাল হব বুলি মই ভাবো।

তেখেতে বিত্তীয় পৰিস্থিতিৰ কথা কওঁতে উল্লেখ কৰিছে যে অসম চৰকাৰে শতকৰা সত্তৰ ভাগ ঋণ হিচাবে আৰু ত্ৰিশ ভাগ অনুদান হিচাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা সাহায্য পায়। কিন্তু মই ভাবো পঞ্জাৱ, হাৰিয়ানা আদি প্ৰদেশৰ দৰে কৃষিৰ ওপৰত যদি গুৰুত্ব দিয়া নহয় তেতিয়া হলে উৎপাদন বৃদ্ধি আশা কৰিব নোৱাৰি আৰু ইয়াৰ অন্যথাই বিত্তিয় পৰিস্থিতি উন্নত কৰাটোও আশা কৰিব নোৱাৰি।

ৰাজহৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ লগত লিংক ৰাখি চলিব লাগিব। স্কুলৰ মাচুল মাফ, দহ বিঘাৰ খাজানা মাফ আদিৰ কাৰণে নিশ্চয় কেন্দ্ৰীয় সাহায্য পোৱা হব। কিয়নো এইটো দেখা গৈছে যে যি বিলাক ৰাজ্যত বিৰোধ্য চৰকাৰ হৈছে সেইবিলাকত দশ, বিশ বিঘাৰ খাজানা মাফ দিয়া হৈছে নাইবা কিছুমানত একেবাৰেই উঠাই দিছে। তেনে ক্ষেত্ৰত এইটো নিশ্চয় সুখৰ কথা হৈছে। এই ডেফিচিট কেন্দ্ৰীয় চৰকাৰৰ পৰা পূৰণ কৰিবলৈ নিশ্চয় যত্ন কৰিব।

উপাধ্যক্ষ মহোদয়, আৰু বেছি কথা নকওঁ কিন্তু অহা চামাৰৰ আগতে যদি যিবিলাক ঠাইত শ্লুইচ গেটৰ দৰকাৰ আছে সেই বিলাকত দি দিয়া নহয় তেতিয়া হলে বাৰিষাৰ সময়ত অসুবিধাৰ সৃষ্টি হব। যোৱা বছৰ উত্তৰ আৰু দক্ষিণ কামৰূপত দুৰ্ভিক্ষত যে মানুহ/গৰু মৰিছে এইবাৰো যদি ব্যৱস্থা কৰা নহয় তেনেহলে শতকৰা বিশ পচিশ জনকৈ মানুহ খাবলৈ নেপাই মৰিব। যোৱা বছৰ প্ৰত্যেক ঘৰতে যাৰ চাৰিটা গৰু আছে তিনিটা মৰিছে আৰু দুটা থকা সকলৰ পাঁচটাকৈ মৰিছে। মই ৰাজহ মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিছোঁ তেখেত নাই যদিও আশাকৰো এই বিষয়ত ব্যৱস্থা লোৱাৰ দিহা কৰিব। গোঘাহানি যিবিলাক আছে সেইবিলাক পট্টন নিদি সেই আগৰ দৰেই ৰাখিব লাগে। মানুহ বাচিব লাগিলে গৰুকো বচাই ৰাখিব লাগিব। আমাৰ খেতিয়কৰ শতকৰা এশজনেই গৰুৰ দ্বাৰা হাল বায়। ট্ৰেক্টৰ এতিয়াও সিমান সহজলভ্য হোৱা নাই। বলধ আৰু খীৰতি গাই যদি ঠিকমতে ৰাখিব পৰা নাযায় তেতিয়াহলে নিতান্ত অসুবিধাৰ সৃষ্টি হব। গোঘাহানিৰ মাজত যিবিলাকত এচুলুমান পানী আছে তাত ফিচাৰি কৰি দি পাঁচ হাজাৰ বা তিনি হাজাৰ টকা ৰাজহ পায় যদিও তাৰ দ্বাৰা আচলতে কোনো কামত নাহে। বৰং আমাৰ চৰকাৰে পাৰিলে বেছিকৈ খুলিব লাগে। এইখিনি কৈ মোৰ বিতৰ্কৰ সামৰণি মাৰিছো আৰু জনতা চৰকাৰে দাখিল কৰা বাজেটৰ দ্বাৰা অহা বছৰত বিত্তীয় পৰিবেশ ভাল হব বুলি আশা কৰি বাজেটৰ পূৰ্ণ সমৰ্থন জনাইছো।

*মহম্মদ ইব্ৰাহীম আলিঃ— বাজেট সম্পৰ্ক আলোচনাত বিৰোধী পক্ষৰ ফালৰ পৰা দণ্ডায়মান কৰলৈ আগবঢ়োতে মোৰ এটা কথা মনত পৰিছে যে গণতান্ত্ৰিক দেশ এখনত যি দলে চৰকাৰ গঠন কৰে সেইদলে যদি শাসনত ব্যৰ্থ হয় তেওলোকক মৃত্যুদণ্ড দিয়াৰ ব্যৱস্থা থাকিলেহেতেন তেতিয়াহলে যিসকলৰ মৃত্যু দণ্ড দিয়া হব গোটেই খিনি মানুহক কেতিয়াও একেলগে পোৱা নহলহেতেন। অৱশ্যে মৃত্যু শাৰিৰীক ভাবে নহয়, এটা মনৰ বিনিময়ত। আজি কংগ্ৰেছ দল ১০ বছৰ আগতে যিবিলাক কৰিব পাৰিলেহেতেন সেই-বিলাক যদি ঠিকমতে কৰিব পাৰিলেহেতেন তেতিয়াহলে আজি সেইবিলাক বিষয়লৈ সমা-লোচনা কৰি সেইদিশত আগবাঢ়িব লগা নহলহেতেন। অৰ্থাত সমালোচনা নককৈয়ে কামবিলাক হলহেতেন। যিকি নহওক জনতা চৰকাৰে যিখন বাজেট দাঙি ধৰিছে তাত কেইটামান কথালৈ আঙুলিয়াই দিব বিচাৰিছো। চৰকাৰৰ পক্ষৰ মাননীয় সদস্য বহুত কেইগৰাকীয়ে কৈছে যে পঞ্জাব, হাৰিয়ানা, আৰু হিমাচল প্ৰদেশ ইত্যাদি বিলাক ৰাজ্যত ইমান উন্নতি হৈছে যে প্ৰতিখন গাঁওতে বিজুলী বাতি হৈছে, প্ৰতিখন গাঁওতে ট্ৰেক্টৰেৰে হাল বাইছে কিন্তু এই ক্ষেত্ৰত ১৯৪৭ চনৰ আগতেই যদি ইংৰাজে কৰি গলহেতেন তেতিয়াহে বেলেগ কথা আছিল কিন্তু এইবিলাক কোনে কৰিলে? দুৰ্ভাগীয়া কংগ্ৰেছ পাৰ্টিয়ে কৰা নাই জানো? এবছৰ আগতেহে জনতা চৰকাৰে এইবিলাক কৰিছে নেকি? যোৱা এবছৰৰ ভিতৰটো হোৱা নাই। দুৰ্ভগীয়া কংগ্ৰেছ চৰকাৰেই এইবিলাক কৰি থৈ গৈছে। অৱশ্যে সেইবিলাক ৰাজ্যৰ নিচিনাকৈ বিশেষ উন্নতি অসমত হব লাগিছিল। সেইখিনি ইয়াত নোহোৱাৰ কাৰণে ৰাইজে অসন্তুষ্ট হৈ আগৰ চৰকাৰক শান্তি দিলে। আগৰ মূখ্যমন্ত্ৰী শ্ৰীশৰৎ চন্দ্ৰ সিংহৰ বক্তব্য অপ্ৰিয় হলেও শুনিবলৈ অহা নাছিলো। জনতা চৰকাৰে সংগঠনৰ দৃষ্টিৰে দেশৰ সামগ্ৰীয় অৰ্থনৈতিক অৱস্থাৰ এটা পৰিবৰ্ত্তনৰ কাৰণে চিন্তা কৰিছে বুলি বাজেটত কৈছে। কিন্তু সন্মানিত সদস্য শ্ৰীদাসগুপ্ত ডাঙৰীয়াই দাবী কৰে কৃষিৰ ওপৰত বেছি জোৰ দিব লাগে কিন্তু কৃষিত যি পুঁজি ধৰা হৈছে তাৰে কৃষিৰ উন্নতি কেনেকৈ আনিব সেইটো আমি বুজি পোৱা নাই। এখন দেশৰ সামগ্ৰিক উন্নতি ব্যক্তিগত জনমুৰিৰ আয় আৰু বিতৰণৰ ওপৰত বেছিকৈ নিৰ্ভৰ কৰে। অধ্যক্ষ মহোদয়, আগৰ বাজেট খনত কৃষিৰ কাৰণে পৰিকল্পনাত ব্যয়ৰ ৩১ শতাংশ ধৰা হৈছিল আৰু এতিয়া ৩৪ শতাংশ ধৰিছে। মাত্ৰ ৩ টকা শত বৃদ্ধি কৰি অসমৰ নিচিনা দুখীয়া এখন কৃষিপ্ৰধান দেশত কেনেকৈ উন্নতি সাধন কৰিব বিচাৰিছে আমি বুজি পোৱা নাই। The rate of growth of gross national products is expected to be 5% in 1977-78 compared to 1·6 per cent in the previous years

এইটো ভালকৈ বিবেচনা কৰিবলগীয়া। ইয়াত আমি বৰ দুখ পাইছো। অৱশ্যে কৃষিত ৩ শতাংশ বৃদ্ধি কৰি ৫ শতাংশ লাভ বান হব পাৰিম বুলি যিটো কৈছে যদি প্ৰকৃততে সেইটো হয় তেতিয়াহলে আমি এইটো বিশ্বাস কৰিম। কংগ্ৰেছৰ দলৰ হলেও আমি লৰা মানুহ। গতিকে বক্তৃতাৰ ওপৰত আমি বিশ্বাস নকৰো। কামটোৰ ওপৰতহে বিশ্বাস কৰো। সেই কাৰণে শতকৰা যি তিনি টকা বেছি দিব বিছাৰিছে আৰু তাৰ দ্বাৰা কৃষিৰ উন্নতি যদি বৃদ্ধিয়ে হয় আৰু দেশৰ কৃষি উৎপাদন প্ৰকৃততে যদি পাচ শতাংশ বৃদ্ধি হয় তেতিয়া বৰ ভাল কথা। অৱশ্যে বাৰ মাহৰ পিচতহে এইটোৰ ফল পোৱা যাব। ইয়াত আৰু এটা পইন্ট মই দৃষ্টি আকৰ্ষণ কৰিব বিছাৰিছো সেইটো হল আমাৰ ৰাজ্য-খনত শতকৰা ৮০ ভাগ মানুহেই কৃষি জীৱি সেইখিনি মানুহৰ ক্ৰয় ক্ষমতা একেবাৰে কম। সেই পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত বাজেটত যিদৰে মাত্ৰ তিনি শতাংশ বৃদ্ধি কৰি যদি এই বৃহৎ সংখ্যা মানুহ খিনিৰ ক্ৰয় ক্ষমতা বৃদ্ধি কৰিব পাৰে তেতিয়াহলে সেইটো বেলেগ কথা। সেইটো কামৰ দ্বাৰাহে প্ৰমাণিত হব। আকৌ কৈছে বস্তুৰ মূল্য সূচীত ই-জি পজিচন চলি আছে। যিহেতু দুদিনৰ আগতে সেইটো ছপা হৈছিলে তেনে ক্ষেত্ৰত অৱশ্যে আমাৰ কবলৈ একো নাই। ক্ৰয় ক্ষমতা কেনেকৈ বাঢ়িব সেইটোলৈহে আমি বাট চাই আছো। আমি জানো যিসকলে চৰকাৰ গঠন কৰিছে সেইসকল পুৰণি অভিজ্ঞতা সম্পন্ন মানুহ। আৰু সেই সকলেই এক সময়ত কৈ আহিছিল যে কৃষক সকলক বা ভূমিহীন কৃষক সকলক মাটি-বাৰী

*Speech not corrected

দিব লাগে। যাতে কৃষি উৎপাদন অধিক বৃদ্ধি হয়। সেই সন্মানিত সদনত বাজেটৰ সমৰ্থনত শতকৰা ৮৩ শতংশ মাটিহীন মানুহক চৰণীয়া পথাৰত যিবিলাক আছে সেই-বিলাক পট্টন দিব লাগে। যিসকল মাটিহীন মানুহ আছে সেইসকলে যাতে চৰণীয়া পথাৰত নতুন মেকানাইজেচন পদ্ধতিৰে অধিক কৃষি উৎপাদন বৃদ্ধি কৰিব পাৰে। অসমত এক কোটি আঠষঠি লাখতকৈও অধিক মানুহ আছে তাৰ বেছি ভাগেই বান প্ৰপিড়ীত অঞ্চলত আৰু চৰণীয়া পথাৰত বাস কৰা মানুহ। সেইসকল মানুহক যদি মাটি নিদিয়াকৈ চৰণীয়া পথাৰত ৰাখিবলগীয়া হয় তেতিয়াহলে ভাবিব লাগিব যে মানুহ মৰক আৰু গৰু বিলাক বাচক। অৰ্থাত মানুহ মৰিলেও গৰু বাচিব লাগিব। কিন্তু সেইটো কথা নহয় চৰণীয়া পথাৰত এই মাটিহীন মানুহ খিনিক যি কোনো প্ৰকাৰে পট্টন দি তেওলোকক অধিক উৎপাদন কৰাত সহায় কৰাব লাগে। সন্মানিত সদস্য বিৰেশ মিশ্ৰৰ এষাৰ কথালৈ মনত পৰিছে, তেখেতৰ কথাখিনি সদনৰ সকলোৰে কাৰণে মনত ৰাখিবলগীয়া কথা হৈছে, সেইটো বেকাৰ সমস্যাৰ কথা, কথাটো হল— বেকাৰ সমস্যা ১০ বছৰৰ ভিতৰত সমাধান কৰা হব আৰু বেকাৰ সকলক বেকাৰ ভাট্টা দিয়া হব। এই কথা কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰিছে। কিন্তু এই কথা ৰাজ্যপালৰ ভাষণত নাছিল। ৰাজ্যপালৰ ভাষণত থকা হলে বেকাৰ সকলে পাওক বা নাপাওক সেইটো কথা নহয় অন্ততঃ শুনি শান্তি পালেহেতেন।অধ্যক্ষ মহোদয়, মই ফেচিজিম, চোচিয়েলিজম, কংগ্ৰেছী, জনতা সেইবুলি কোনো পাৰ্টিকে নামানো। কেবল কামৰ কথাটোহে মানো। গতিকে কংগ্ৰেছীয়ে অমুক কৰিলে, কংগ্ৰেছীয়ে তমুক কৰিলে বুলি কংগ্ৰেছৰ শ্ৰাদ্ধ কৰি থাকিলেই নহব। জনতা চৰকাৰে এতিয়া কামত দেখুৱাওক। পঞ্চাবত যিবিলাক কাম হৈছে আমাৰ অসমত কিয় নহয়। অৰ্থনৈতিক বৈষম্যৰে মাত্ৰ ইংৰাজেহে দেশ শাসন কৰিছিল। আজি আমাৰ দেশ স্বাধীন হল কিন্তু এতিয়াও ধনী মানুহৰ সৃষ্টি হৈয়ে আছে। সংবিধানত বহুত কল্যানমূলক আচনিয়ে দুখীয়াৰ কাৰণে লিপিবদ্ধ কৰা আছে কিন্তু তথাপি আজি নিজৰ পেট ভৰাবৰ কাৰণে হাজাৰ হাজাৰ অনুসূচীত জাতিৰ মানুহৰ টিপ চহীলৈ তেওলোকৰ মুখৰ ভাত বেলেগে কাঢ়ি খাই আছে। বহুত চৰকাৰ হল বা দেখিছো আৰু তেওলোকৰ বক্তৃতাও শুনিছো আঞ্চলিক বৈষম্য দূৰ কৰাৰ কাৰণে কিন্তু আমি কাৰ্য্যক্ষেত্ৰত কি দেখিছো। আঞ্চলিক বৈষম্য বাঢ়িয়ে গৈছে। আজি অসমৰ ক্ষেত্ৰতে কৈছো কামৰূপৰ নিচিনা এখন জিলাত শিক্ষিতৰ হাড় মাত্ৰ শতকৰা ২৮ ভাগ কিন্তু শিৱসাগৰত শিক্ষাৰ হাড় আটাইতকৈ বেছি।আমাৰ চৰকাৰৰ লক্ষ্য হব লাগে সকলো জিলাতে সম শিক্ষা। কিন্তু আমি দেখিছো একেখন জিলাতে কোনোবা এটা মহকুমাত ভাল হাইস্কুল কলেজ আছে আৰু কোনোএটা মহকুমাত একেবাৰে নাই। আকৌ কোনো এখন মৌজাত কলেজো আছে হাইস্কুলো আছে কিন্তু আনখন মৌজাত আকৌ হাইস্কুলেই নাই। গতিকে আমাৰ জনতাৰ সদস্য সকলৰ ভিতৰত যি সকলে চৰকাৰ গঠন কৰিছে তেওঁলোকে অকল শৰৎ সিংহৰ দোখ-গুণৰ শ্ৰাদ্ধ কৰি থাকিলেই নহব। তেখেত সকলে কাম কৰিব লাগে নহলে এক বছৰ পাচত তেওঁলোকৰো শ্ৰাদ্ধ হব। (সদনত হাঁহিৰ ৰোল উঠে)।

মই এটা সৰু কথা কব খুজিছো। আমাৰ দেশ খন সামগ্ৰীক ভাবে ৰাস্তা ঘাটত বৰ পিচ পৰা। কিছুমান মহকুমাত এম, এন, পি আচনিৰ জৰিয়তে ৰাস্তা ঘাট কৰি আছে। আৰু কিছুমানত কৰিব নোৱাৰি টকা পইচা ঘূৰাই দিছে। বৰপেটা মহকুমাত ৰাস্তা ঘাটত একেবাৰে পাচ পৰা, অথচ টেকনিকেল গ্ৰাউণ্ড দেখুৱাই বহুতত এম, এন, পিৰ টকা পইচা খৰছ কৰিব নোৱাৰি ঘূৰাই দিছে। এতিয়া প্ৰশ্ন হল আমি জনসাধৰণৰ প্ৰতিনিধিয়ে বিধান সভাত কাজিয়া পেচাল কৰি ভাগ বতৰা কৰি মাননীয় মন্ত্ৰী সকলৰ হাতত কাম কৰিবৰ কাৰণে কিছু টকা দিও কিন্তু তেখেত সকলে যদি বিষয়া সকলৰ টেকনিকেল গ্ৰাউণ্ডৰ কাৰণে টকা বিলাক ঘূৰাই দিব লগা হয় কিমান দুখৰ কথা। মই

ভাবো এই অৱস্থাৰ পৰিবৰ্ত্তন ঘটাব লাগে যাতে বগা কাগজত টেকনিকেল গাইড দেখুৱাই পইচা ঘূৰাই পঠোৱা টোত নিচক্ৰীতি নাপায়। উচ্চ পদস্থ বিষয়া সকলে আমাৰ দেশ খন পৰিচালনা কৰি আছে তেওলোকৰ দোষ যদি বিধান সভাত উৎথাপন কৰা হয় তেওক মাত্ৰ তাৰ পৰা বদলি কৰা হয়, আৰু প্ৰমোচনো পায় আৰু বেটাৰ ফেচিলিটি পায়। বিচাৰ কিন্তু নহয়। অথচ আমাৰ বেয়া কাম কৰিলে আমাকেই গটা মাৰি থৈ প্ৰমোচন লৈ নিজৰ সুবিধা কৰি লয়। এই কথাটোৰ মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো। জনতা চৰকাৰত বহু বছৰৰ অভিজ্ঞতা থকা মানুহ আছে, মুখ্য মন্ত্ৰী মহোদয়ে এই বিষয়ে কিছু কৈছিলেও কৃষিজাত সামগ্ৰীৰ ওপৰত যিটো নেচনেল পেৰিটি ৰাখিছে— অসমত শতকৰা ৮৩ জন মানুহ কৃষিৰ ওপৰত নিৰ্ভৰ কৰে। (সময়ৰ সংকেট) তেওলোকে কেচা মাল উৎপন্ন কৰে অথচ তেওলোকৰ ওপৰতে আনে আজি লাভ কৰি বহি আছে। তেখেত সকলে হয়তো কব, এই বেপাৰী সকলে কংগ্ৰেছক নিৰ্বাচনত টকা পইচা দি সহায় কৰিছিল এতিয়া যে জনতাক নকৰিব তাৰ কি বিশ্বাস। কৃষিৰ উন্নতি কৰিবলৈ হলে কৃষিৰ উৎপাদিত মূল জাতীয় সামগ্ৰীৰ পেৰিটি নোহোৱাৰ ব্যৱস্থা কৰিব লাগিব। তেওলোকে যাতে উচিত মূল্য পায় তাৰ ব্যৱস্থা কৰিব লাগে। কোনে চৰকাৰ গঠন কৰে সেইটো লৈ কথা নহয়। আমি বক্তৃতাত বিশ্বাস নকৰো কৰো কামত। বেকাৰ সকলক সংস্থাপন দিয়াৰ কথা সকলোৱে কৈছে। কিন্তু আমাৰ দেশত ডাক্তৰ, ইনজিনিয়াৰ সকলোৱে চাকৰি নাপায় তেওলোকেও এমপ্লইমেন্টত নাম ৰেজিষ্টাৰ কৰি বহি আছে। আমাৰ দেশখন এনেকৈ শাসিত হৈছে যে মানুহ খাবলৈ নাপায় অথচ বিশ টকীয়া তলা মাৰি মহকুমাত খাদ্য সম্ভাৰ গোটাই থোৱা হৈছে। আশা কৰো এনে ধৰণৰ সংগীতি বিহীন কাম এই অভিজ্ঞ চৰকাৰৰ দিনত নহব। এই চৰকাৰে কাম কৰিবলৈ ওলাই আহক আমাৰ ফালৰ পৰা যি ধৰণৰ সহযোগিতাৰ প্ৰয়োজন হয়, সেই ধৰণেৰে সহযোগিতা কৰিবলৈ আমি কৃপনালী নকৰো। যি দায়ীত্ব লৈ চৰকাৰী গাদীত বহিছে আশা কৰো চৰকাৰে সেই দায়ীত্ব পালন কৰিব। ধন্যবাদ।

শ্রীরমেন্দ্র দে :—মাননীয় অধ্যক্ষ মহোদয়, পৃথিবীতে দুইটি শ্রেণী আছে, ধনী এবং গরীব। প্রশাসন পরিচালিত হয় দুইটি কৌশলে, একটি হলো, ধনতন্ত্রকে প্রতিষ্ঠা করে এবং আর একটি কৌশল হলো সমাজতন্ত্র প্রতিষ্ঠা করে।

মাননীয় অধ্যক্ষ :—দহ মিনিট সময়ৰ ভিতৰত শেষ কৰিবলৈ চাব তাৰ পিচত মুখ্য মন্ত্ৰীয়ে চাইক্লোন সম্পৰ্কে এটা বিবৃতি দিব।

শ্রীরমেন্দ্র দে :—কংগ্রেস বিগত ৩১ বৎসর ধরে ভারতবর্ষে রাজনীতি করছে। আসামেও করেছে। কিন্তু কংগ্রেছের ধনতন্ত্র এবং স্বৈরতন্ত্রের প্রকৃত স্বরূপ প্রকাশ পেয়েছে। বিগত ১৯ মাসের জরুরী অবস্থার সময়। তাই, ভারতবর্ষের মানুষ কংগ্রেসকে ছুরে ফেলে দিয়েছে ইতিহাসের ডাষ্টবিনে। গঠন করলো কেন্দ্রে জনতা সরকার। আসামেও। কিন্তু এটা দুর্ভাগ্যের বিষয় যে বাজেট শেষ হয়েছে তার মধ্যে শ্রমজীবি মানুষের আশা আকাংখার কোন প্রতিফলন ঘটেনি। আসামের বাজেটেও না। জনতা সরকার সম্পর্কে আমাদের কোন মোহ নাই। তাই, আমরা নিঃসন্দেহে বলতে পারি যে জনতা সরকার ধনতান্ত্রিক সমাজ ব্যবস্থার পৃষ্ঠপোষক। জনতা সরকারের কাছে তাই আমি আবেদন করবো যে জনসাধারণ যা চায় তা যেন তাঁরা বাস্তবে পরিণত করেণ। নতুবা কংগ্রেসের যে দশা হয়েছে অচিরে তাদেরও সে অবস্থা হবে। আমাদের রাজ্যে রাজ্যপালের ভাষণে এবং বাজেটে যেন কংগ্রেসী আমলের পুরণো রেকর্ড পুরণো পিন দিয়ে নতুন গ্রামোফান বসিয়ে বাজানো হচ্ছে। কংগ্রেসের ধনতান্ত্রিক শাসন ব্যবস্থার ফলে গ্রামে গঞ্জে সৃষ্টি হয়েছে লক্ষ লক্ষ বেকার, সৃষ্টি হয়েছে ভূমিহীন ক্ষেত্র মজুর, বন্ধ হয়েছে কল কারখানা, ছাটাই হয়েছে হাজার হাজার শ্রমিক।। কিন্তু নতুন জনতা

সরকারের এই বাজেটে বেকার ভাতার নেই কোন উল্লেখ, উল্লেখ নেই বন্ধ কল কারখানা কি ভাবে খোলা হবে তার আশ্বাস। এর মধ্যে কোন নতুনত্ব নাই। কেবল পুরাণো বুলি ছড়ানো আছে। বিগত তিরিশ বছরের কংগ্রেস শাসন আসামকে শ্মশানে পরিণত করেছে। যোগাযোগ ব্যবস্থা, শিক্ষা, শিল্প, কল কারখানা এবং জমি বন্টনের ব্যবস্থা সর্বত্র আসামকে শ্মশানে পরিণত করছে।

আমরা শুনছি, কংগ্রেসের পক্ষ থেকে এক সম্প্রদায়ের প্রতি উদ্বেগ প্রকাশ পাচ্ছে, আর জনতা পার্টির পক্ষ থেকে অন্য সম্প্রদায়ের প্রতি এতদিন কংগ্রেসের অবহেলার কথা বলা হচ্ছে। সেটা ঠিক। এত দিন এরা ছিলেন কোথায়। তারা তো কংগ্রেসে ছিলেন। এসব-তো কংগ্রেসের অনুসৃত নীতি সম্প্রদায় দাঙ্গা বাধিয়ে এতদিন কংগ্রেস দেশ শাসন করেছে—দেশও জাতিকে ধ্বংস করেছে। পুরানো ও নতুন কংগ্রেসীর এসবকথা বলছেন কেন। এসব আর কিছু না, রাজনৈতিক চাল। কংগ্রেস অনুন্নত শ্রেণীর নিরাপত্তার উদ্বেগ প্রকাশ করছে আর জনতা সংখ্যালঘু মুছলমান সম্প্রদায়ের কথা বলছে। এসব কেবল শোষণের কৌশল মাত্র। রাজনৈতিকপ্রতিষ্ঠার প্রয়াস মাত্র। এবং অন্যদিকে তায়ে শ্রেণী সংগ্রাম যাতে না যায় তার প্রচেষ্টামাত্র।

যাই হোক, এসব সময় মতো বিচার করা যাবে। এখন আমি আমার সমষ্টির নানা সমস্যার কথায় আসছি। এসব সমস্যা আসামের সর্বত্র আছে। আমি বদরপুর নির্বাচন চক্র থেকে নির্বাচিত হয়েছি। এই নির্বাচন চক্র থেকে বিগত আঠাইশ বছর একজন ভদ্রলোক বিধয়িক ছিলেন। কিন্তু এই আঠাইশ বছরে বদরপুরে একটা হাসপটাল হয়নি, পড়াশুনার অন্য স্কুল কলেজের ব্যবস্থা হয়নি, জনসাধারণ যা করতে ছেয়েছে বা করেছি তারও তিনি বিরোধিতা করেন। কাছারের একটিমাত্র কাপড়ের কল, বদরপুরের টেক্সটাইল ইন্ডাষ্ট্রী বন্ধ। ১৯৭৪ ইং ছাটাই হয়েছে ৮১ জন শ্রমিক আজও তাড়া বেকার। কংগ্রেসী শ্রমমন্ত্রীতা জানতেন তাই এবারে আমি আশা করবো, তৎকালিন কংগ্রেসী শিল্প মন্ত্রী এবারও জনতা সরকারের শিল্প মন্ত্রী, তিনি এ বিষয়ে একটা বিহিত ব্যবস্থা গ্রহন করবেন।

(ভয়েসঃ শ্রম মন্ত্রীও)

হ্যা। তিনি শ্রম মন্ত্রীও। মহোদয়, এই ৩১ বছরের কংগ্রেসী শাসনের সময় বদর পুরে রাস্তাঘাট হয়নি, স্কুল কলেজের ব্যবস্থা হয়নি। কারণ, তৎকালিন স্হানীয় এম, এল, এ নাকি শিক্ষার প্রয়োজনীয়তার বিরুদ্ধে মত পোষণ করতেন। হাসপতালও নেই। কারণ, তিনি আধুনিক চিকিৎসা পদ্ধতির বিরুদ্ধে মত পোষণ করতেন। তাই তিনি মানুষকে জলপড়া, তাবিজ ইত্যাদি চিকিৎসার ব্যবস্থা করতেন। সুতরাং, আমি জনতা সরকারকে এদিকে বিশেষ দৃষ্টি দিতে অনুরোধ করছি। এইসব সমস্যা কেবল বদরপুরে নয়— সমগ্র ভারতবর্ষে এ অবস্থা সৃষ্টি করেছে এই কংগ্রেস সরকার।

মহোদয়,বদরপুরে আজপর্যন্ত পাণীয় জলের কোন ব্যবস্হা হয়নি। সমগ্র বদরপুর এলাকার মধ্যে একটিমাত্র ডিসপেনসারী আছে। অথচ ডাক্তারের টেন্সফারের বেলায় তৎকালিন কংগ্রেসী এম, এল, এ দের মধ্যেদারুণ উৎসাহ ছিল। শিক্ষা প্রতিষ্ঠান স্হাপ-নের বেলায় তাদের আগ্রহ না থাকলেও শিক্ষক নিয়োগের টেন্ডার কল করে চাকরী বিক্রীতে তারা আগ্রহী ছিলেন। যাই হোক, কংগ্রেস এবং জনতা পার্টির মধ্যে মৌলিক কোনপার্থক্য না। একথা আমি আগেও বলেছি। কিন্তু পরিবর্ত্তিত পরিস্হিতিতে যেহেতু জনতা পার্টি এখন গণতন্ত্রে বিশ্বাসী এবং কংগ্রেসকে ক্ষমতাচ্যত করার অন্য জনসাধরণের যে আগ্রহ, তার পরিপেক্ষিতে জনসাধরণের আশা আকাংখার প্রতি জনতা সরকার যতদিন শ্রদ্ধাশীল থাকবেন ততদিন পয্যন্ত আমরা তাদের সমর্থন জানাব।

অধ্যক্ষ মহোদয়, শিক্ষার ব্যাপারে আমি একটা কথা এই বিধানসভায় বলতে বাধ্য যে নির্বাচনের আগে শিক্ষা বিভাগ থেকে কোন কোন প্রাক্তন কংগ্রেসী এম, এল, এর হাতে ২৮ জন শিক্ষকের চাকুরী কারো হাতে ২৫টি চাকুরীর, আবার কোন কোন এম, এল, এর হাতে ২০ জন শিক্ষকের নিয়োগের ভার দেওয়া হয়েছিল। হাইলাকান্দিতে প্রাক্তন এম, এল, এর হাতে ২৮ জন শিক্ষকের নিয়োগের ঠিকা দেওয়া হয়েছিল। মূল্য বাবদ শিক্ষক প্রতি তিনি হাজার টাকা ধার্য্য করা হয়েছিল। করিমগঞ্জ এবং বদরপুরের এম, এল, এর কাছে ২৬ টি করে চাকুরীর ঠিকা দেওয়া হয়েছিল, রেট ছিল শিক্ষক প্রতি ১৬০০ থেকে ৩ হাজার টাকা পর্যন্ত। করিমগঞ্জ তো এ অবস্থা ভয়াবহ আকার ধারণ করেছিল। কেউ কেউ এ বিষয়ে বলতে গিয়ে সরকারী কর্মচারীদের উপর দোষ চাপিয়ে দেন। তাদের মধ্যে কিছু অংশ, বিশেষকরে যারা উচ্চস্তরের কর্মচারী, তারা যদি কোন দোষ করে থাকেন তাহলে, নিশ্চয় তাঁরা দোষী। কিন্তু এদের সংগে যোগসাজসে ছিলেন তৎকালিন এম, এল, এ এবং মন্ত্রীগণ। সুতরাং এই শিক্ষার ব্যাপারে আমি জনতা সরকারের কাছে একটি নিরপেক্ষ তদন্ত দাবী করছি। ১৯৭২ ইংরাজী থেকে ১৯৭৮ ইংরাজী পর্যন্ত যে সব স্কুলে চাকুরী হয়েছে সেই সব চাকুরী বন্টনের ক্ষেত্রে একটা পুনাংগ তদন্ত অত্যন্ত প্রয়োজনীয়। এ প্রসঙ্গে আমি হাইলাকান্দি মহকুমার একটি স্কুলের উল্লেখ করছি। সেখানে ঐ স্কুলটির জন্য ১২ বান টিন নেওয়া হয়েছিল। স্কুল কর্তৃপক্ষ ৬-৩-৭৪ ইংরাজীতে এজন্য ট্রেজারী চালান নং ৩০১ মারফৎ ৩,৫৮৭·৯৫ টাকা জমা দিয়েছিল। তৎকালিন স্কুলের সভাপতি ছিলেন তৎকালিন কংগ্রেস এম, এল, এ শ্রীসন্তোষ কুমার রায়। কিন্তু ঐ টিনের আর কোন হদিশ মেলেনি। এইভাবে সমগ্র আসাম রাজ্যে জনসাধরণের স্বার্থকে বলি দিয়ে লক্ষ লক্ষ টাকা আত্মসাৎ করার নজীর আছে। তদন্ত করলে, আমার বিশ্বাস, সমস্ত প্রকাশ পাবে।

অধ্যক্ষ মহোদয়, জনতা সরকারের বাজেট বক্তৃতায় আমরা নতুনত্বের আশা করেছিলাম আশা করেছিলাম— শ্রমজীবি মানুষের উন্নতি কল্পে একটা বৈপ্লবিক পরিবর্ত্তনের সূচনা—কিন্তু অত্যন্ত দুখের বিষয় যে এর পরিবর্ত্তে আমরা এক রাজনৈতিক দল থেকে শুনতে পাচ্ছি অনুন্নত শ্রেণীর জন্য কুম্ভীরাশ্রু আর অন্যদল থেকে শুনছি সংখ্যালঘু সম্প্রদায়ের রাইট সেফগার্ড করার ভূয়া আশ্বাস।

Mr. SPEAKER : Order. Honourable member will continue to-morrow. Now, Chief Ministre will give a statement on storm damages.

## STATEMENT BY CHIEF MINISTER

* Shri GOLAP BORBORA (Chief Minister)—Mr. Speaker, sir, on 30th March 1978 at about 5.15 p.m. a severe cyclone accompanied by hail storm lashed the western part of the Jorhat Sub-division causting damages in Parbotia, Baligaon, Sarucharai and Khongia Mauzas. A preliminary assessment of damages made by the District authorities revealed that an area of approximately 53 square miles have been effected of which 35 villages have been badly affected. The total number of houses completely damaged as far latest reports are 205 and partly damaged houses are 415.25 (twenty five) public Inistituions like Schools, Namghars are also totally damaged. Some damage has also been caused to seasonal vegetables and a good number of aracanut tree; clumps of bamboos and bananas and other trees were also damaged. No standing crops has however been affected. The lose suffered is being assessed by the local officers and it would be known within a day or two. One

person, Shri Golop Bora by name aged about 75 years of Chengligaon village of Charigaon Mauza died and the death was reportedly due to shock as he was on an open field. 3 persons sustained serious injuries at Goalgaon of Parbotia Mauza due to collapse of a school building where they took shelter during the storm. 2 of the persons admitted in Civil Hospital and the 3rd person was not willing to come to the Hospital. Necessary medical relief has been given to the injured persons and other precautionery measures against any desease or epidemic in the affected areas have also been taken by the district authorities. Preliminary relief to the worse affected people of Dhudong Chapari in the form of rice and cash as gratuitious relief has also been given. So far Rs. 3000/ has been distributed as cash relief. An amount of Rs. 10,000/- has also been sanctioned from the Chief Minister's Relief Fund for providing relief in the affected areas. It appears that in the badly affacted areas substantial rehabilitation assistance will be nacessary and the Deputy Commissioner will soon be sending requirements of fund for rehabilitation assistance to the affected families. Government will expeditiously sanction the rehabilitation assistance as admissible under the Rules as soon as the proposal from the Deputy Commissioner is received. It is understood that roofs of granaries, dispensries and schools in a number of villages has been blown away and the District Authorities have been advised-to explore the possibilities of providing temporary cover with turpolines or other matarials if possible.

শ্ৰীবানেশ্বৰ শইকীয়া ঃ—মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে যোৰহাটত যোৱা ৩০ মাৰ্চ তাৰিখে হোৱা ধুমুহাৰ যিটো বিবৃতি দিছে তাত এই ধুমুহাৰ ফলত যিবিলাক স্কুল ঘৰ আদিৰ ক্ষতি হল সেই বিলাক পুণৰ গঠন কৰাৰ সম্পৰ্কত কোনো প্ৰতিশ্ৰুতি নিদিলে। আমি জনাত বছৰৰ পিছত বছৰ ধৰি এইদৰে ধুমুহাত ক্ষতিগ্ৰস্ত হোৱা স্কুল ঘৰ আদি বিভিন্ন জেগাত কোনো মেৰামতি নোহোৱাকৈ পৰি থাকে ফলত, লৰা-ছোৱালী বিলাকক শিক্ষা দিয়াৰ ক্ষেত্ৰত বিৰাট বেমেজালিৰ সৃষ্টি হয়। সেই কাৰণেই লৰা-ছোৱালী বিলাকে যাতে পঢ়াৰ ক্ষেত্ৰত কোনো অসুবিধা নেপায় তাৰ কাৰণে এই স্কুল ঘৰ বিলাক স্থায়ীভাবে মেৰামত কৰাৰ প্ৰতিশ্ৰুতি এটা আমি আমাৰ মাননীয় মুখ্য মন্ত্ৰীৰ পৰা আশা কৰিছোঁ।

শ্ৰীগোলাপ চন্দ্ৰ বৰবৰা (মুখ্যমন্ত্ৰী) ঃ—এই বিষয়ে আমি জিলা প্ৰসাসনৰ পৰা ৰিপৰ্ট আশা কৰিছোঁ। যিবিলাক ঠাইত ইতিমধ্যেই স্কুল ঘৰ আদি বেয়া হৈছে তাত অস্থায়ী ব্যৱস্থা কৰি কাম চলাবলৈ ব্যৱস্হা গ্ৰহণ কৰা হৈছে। আমি জিলা প্ৰশাসনৰ পৰা ৰিপৰ্ট পোৱাৰ লগে লগে স্থায়ী ব্যৱহো কৰিম।

শ্ৰীনৰেন্দ্ৰ নাথ দত্ত ঃ— মাননীয় অধ্যক্ষ মহোদয়, সৰভোগ কৃষি কমিটিৰ পৰা পোৱা ৰিপৰ্টমতে তাতো হোৱা এটা প্ৰলয়ংকৰী ধুমুহাত ক্ষতি হোৱাৰ কথাটোৰ প্ৰতি আমাৰ মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিছোঁ। এই বিষয়ে অনুসন্ধান কৰি তাতো ত্ৰাণ সাহায্যসৰ ব্যৱস্হা কৰিব লাগে।

শ্ৰীএ, এন আক্ৰাম হোচেইন ঃ— মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় মুখ্য-মন্ত্ৰী মহাশয়ে যোৱা ৩০ মাৰ্চ তাৰিখে যোৰহাটত হোৱা ভীষণ ধুমুহাৰ ফলত যি এজন লোকৰ মৃত্যু হোৱা বুলি কৈছে, আমি পোৱা বাতৰি মতে সেই লোক জন ধুমুহা অহাৰ সময়ত ঘৰলৈ ওভতাৰ সময়ত শিল পৰিহে মৃত্যুৰ মুখত পৰিছে। গতিকে সেই লোক জনক যথাযথ সাহায্যৰ ব্যৱস্থা কৰিব লাগে। লগতে আমি এই কথাটোতো দুখ পাইছো যে, ধুমুহা কেৱল এখন ঠাইতেই নহয়। ধুমুহা হলে ই বহুত বিলাক ঠাইৰ ওপৰেদি বাগৰি যায়। মই ধুমুহা বিধ্বস্ত অঞ্চল বিলাক ঘূৰি আহি দেখা পাইছো যে, কামৰূপৰ সৰভোগ আৰু বিশেষকৈ ছয়গাও আৰু বনগাঁওতো এই ধুমুহাৰ ফলত ভীষণ ক্ষতি হৈছে। তাত বহুত বিলাক শিক্ষানুষ্ঠান ধ্বংশপ্ৰাপ্ত হৈছে। গতিকে আমাৰ মাননীয় মুখ্যমন্ত্ৰীয়ে তাৰ পৰাও ৰিপৰ্ট সংগ্ৰহ কৰি এই সদনক জনাব লাগে।

* শ্ৰীছামছুল হুদা ঃ— মাননীয় অধ্যক্ষ মহোদয়, ধুমুহা যেতিয়া হয় তেতিয়া ই নিশ্চয় সকলো ঠাইতে কম বেছি পৰিমাণে হৈছে। গতিকে অহা কালি আগবেলাৰ ভিতৰতে অসমৰ কত কত ধুমুহা হৈছে আৰু এই ধুমুহাৰ ফলত কত কিমান ক্ষতি হৈছে আৰু চৰকাৰৰ ফালৰ পৰা এই ক্ষতিৰ পৰিমাণ কিমান বুলি ঠাৰৰ কৰা হৈছে আৰু তাৰ কাৰণে কি সাহায্যৰ ব্যৱস্থা কৰিছে এই সকলো বিলাক খবৰ আনি আমাৰ সদনত জনাব লাগে। তাৰ কাৰণে মই আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছোঁ।

## ADJOURNMENT

Mr. SPEAKER : The House stands adjonrned till 10A.M. on 4th Aprial, 1978.

The House then rose at 5.03 P.M. and stood adjourned till 10 A.M. on Tuesday 4th April, 1978,

Dated, Dispur
the 3rd April, 1978.

P. D. BARUA,
Secretary,
Assam Legislative Assembly.

AGP. (L.A.) 1045/78—1,100—26.7.80.